# ডিব্রুগড় কলেজ আলোচনী

—১৯৪৮ চন—

সম্পাদক—শ্রীবিনন্দ চন্দ্র বৰুৱা

# ডিব্রুগড় কলেজ আলোচনী

—১৯৪৮ চন—

সম্পাদক—শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা

# সূচী-পত্র


| | | | পৃষ্ঠা |
|---|---|---|---|
| ১। | কলিৰ মধ্যম কালত মহামানৱ মাহাত্মা গান্ধী | শ্ৰীযতীন হাজৰীকা | ১ |
| ২। | বিদ্ৰোহী ( গল্প ) | শ্ৰীভূপেন্দ্ৰ নাথ বৰপূজাৰী | ৩ |
| ৩। | অন্তিম যাত্ৰা | অধ্যাপক বেণুধৰ ৰাজখোৱা | ৮ |
| ৪। | অসম্পূৰ্ণ ( গল্প ) | শ্ৰীনৰেন্দ্ৰনাথ চুতীয়া | ৯ |
| ৫। | এখন চিঠি | শ্ৰীপ্ৰেমলতা বৰুৱা | ১৫ |
| ৬। | কুলি | শ্ৰীনবীন শৰ্ম্মা বৰদলৈ | ১৯ |
| ৭। | ডিব্ৰুগড় কলেজৰ বছেৰেকীয়া সঙ্গীত সন্মিলনৰ সভাপতিৰ অভিভাষণ | শ্ৰীযুত জ্যোতিপ্ৰসাদ আগৰৱালা | ২০ |
| ৮। | এইবাৰ বসন্তৰ ফুলোতে গোলাপ | বিবি | ২৫ |
| ৯। | জীৱনৰ ফেৰ | শ্ৰীদেবেন্দ্ৰ নাথ সোনোৱাল | ২৫ |
| ১০। | ৰমাই-ৰতনী ( এটি পুৰণি গল্প ) | অধ্যাপক—বেণুধৰ ৰাজখোৱা | ২৮ |
| ১১। | ভাৰতৰ নাৰী শিক্ষা | শ্ৰীঅৰুণা বৰুৱা | ৩০ |
| ১২। | বৰাগী-গীত | শ্ৰীযতীন হাজৰীকা | ৩৩ |
| ১৩। | সমালোচনা | | ৩৬ |
| 14. | Monotheism of Vedic Religion | Principal Jogiraj Bosu M. A. (Triple) | 37 |
| 15. | The Mahatma | Taraprasanna Das | 40 |
| 16. | Out-door Game and its usefulness | Biraranjon Baruah | 45 |
| 17. | Student in free India | Vice-Principal L.P. Datta M-A, B-L. | 47 |
| 18. | Cinema Its bright and dark side | Suzauddin Ahmed | 50 |
| 19. | Editorial Note | | 54 |

# সূচী-পত্ৰ


| | | | পৃষ্ঠা |
|---|---|---|---|
| ১। | কলিৰ মধ্যম কালত মহামানৱ মাহাত্মা গান্ধী | শ্ৰীযতীন হাজৰীকা | ১ |
| ২। | বিদ্ৰোহী ( গল্প ) | শ্ৰীভূপেন্দ্ৰ নাথ বৰপূজাৰী | ৩ |
| ৩। | অন্তিম যাত্ৰা | অধ্যাপক বেণুধৰ ৰাজখোৱা | ৮ |
| ৪। | অসম্পূৰ্ণ ( গল্প ) | শ্ৰীনৰেন্দ্ৰনাথ চুতীয়া | ৯ |
| ৫। | এখন চিঠি | শ্ৰীপ্ৰেমলতা বৰুৱা | ১৫ |
| ৬। | কুলি | শ্ৰীনবীন শৰ্ম্মা বৰদলৈ | ১৯ |
| ৭। | ডিব্ৰুগড় কলেজৰ বছেৰেকীয়া সঙ্গীত সন্মিলনৰ সভাপতিৰ অভিভাষণ | শ্ৰীযুত জ্যোতিপ্ৰসাদ আগৰৱালা | ২০ |
| ৮। | এইবাৰ বসন্তৰ ফুলোতে গোলাপ | বিবি | ২৫ |
| ৯। | জীৱনৰ ফেৰ | শ্ৰীদেবেন্দ্ৰ নাথ সোনোৱাল | ২৫ |
| ১০। | ৰমাই-ৰতনী ( এটি পুৰণি গল্প ) | অধ্যাপক—বেণুধৰ ৰাজখোৱা | ২৮ |
| ১১। | ভাৰতৰ নাৰী শিক্ষা | শ্ৰীঅৰুণা বৰুৱা | ৩০ |
| ১২। | বৰাগী-গীত | শ্ৰীযতীন হাজৰীকা | ৩৩ |
| ১৩। | সমালোচনা | | ৩৬ |
| 14. | Monotheism of Vedic Religion | Principal Jogiraj Bosu M. A. (Triple) | 37 |
| 15. | The Mahatma | Taraprasanna Das | 40 |
| 16. | Out-door Game and its usefulness | Biraranjon Baruah | 45 |
| 17. | Student in free India | Vice-Principal L.P. Datta M-A, B-L. | 47 |
| 18. | Cinema Its bright and dark side | Suzauddin Ahmed | 50 |
| 19. | Editorial Note | | 54 |

= ডিব্রুগড় কলেজ আলোচনী =
ন হি জ্ঞানেন সদৃশং পবিত্রমিহ বিদ্যতে

দ্বিতীয় বছৰ } জেঠ ১৮৭০ শকাব্দ { জুন ১৯৪৮

# "কলিৰ মধ্যম কালত মহামানৱ মহাত্মাগান্ধী"

—যতীন হাজৰীকা।
প্ৰথম বাৰ্ষিক (কমাৰ্চ)

আছিল ভাৰত মোৰ স্বাধীনচিতীয়া
বৃটিছৰ পদানত নাছিল যেতিয়া,
শত শত গৌৰবৰ বুৰঞ্জী বিদিত
ভাৰতৰ সভ্যতা সৰ্ব্বোচ্চ তেতিয়া।

ভাৰতৰ একোনতো আকাল মৰণ আদি
নিদিছিলে দেখা আহি পিশাচিনী হই ;
ঘৰে ঘৰে ভায়ে ভায়ে সমামিলা কই
কৰিছিলে মাতৃপূজা প্ৰেম-মন্ত্ৰ লই।

*        *        *

এনেতে আহিল বগা বৃটিছ জাতিয়ে
সাগৰৰ পাৰ ভাঙি খলক লগাই ;
দুদিনতে বেহা মেলি থিতাতেই খুঁটি পুতি
ভাৰতীয় ডিঙা নাও দিলে ডুবোৱাই।

লাহে লাহে ভাৰতীৰ সন্তান মাজত
হিংসা হিংসি কেৰোণে বিন্ধিব ধৰিলে ;
নোৱাৰি হেচাৰ কোব বৃটিছ বায়ুৰ
স্বাধীনতা বট গছ মাজতে ভাঙিলে।

অধৰ্ম্মৰ সোঁত বলে সদীয়া কৰাচী জিনি
ধৰ্ম্মৰ টুলুঙা নাও কৰি তলমল ;
ধৰে কোনে গুৰি বঠা নাই গুৰিয়াল
বিক্ৰমি বাহুৰে নিজ বেগৱতী ঢল।

তেনে সময়তে হল গান্ধী অৱতাৰ
পূণ্যৱতী ভাৰতীৰ পশ্চিম কাষত ;

“কলিৰ মধ্যম কালত মহামানৱ মহাত্মাগান্ধী”

প্ৰচাৰি সৌৰভ ৰাশি অহিংসা প্ৰেমৰ
লুপ্তপ্ৰায় মূল মন্ত্ৰ ভাৰতবৰ্ষত।
অপৃশ্যতা নাশ কৰি “হৰিজন” ধৰ্ম্ম গঢ়ি
স্বৰাজৰ গোন্ধ ঢালি দিলে ভাৰতীক ;
আপদীয়া তন্দ্ৰা ভাঙি সচেতন লভি
জুৰি দিলে “ত্যাগ”খান সাখী প্ৰকৃতিক।
বিশ্বমানৱক দিলে মহত চেতনা
“দাস” নাই মানৱৰ সকলো সমান ;
নাই কোনো ভিন পৰ বিশ্বজগতত
“মানুহ মানুহ জাতি একেই পৰাণ।
ভাৰত নভত সেই পূৰ্ণিমা চন্দ্ৰই
ঢালিলে অমিয়া ধাৰে সুবিমল আভা ;
গগন বিয়পি থকা কলীয়া ডাৱৰেওঁ
নোৱাৰিলে বাধা দিব দিগন্তৰ শোভা।
স্বাৰ্থ ত্যাগ মানুহৰ মহা ধৰ্ম্ম বুলি
উলঙ্গ ফকিৰ হই ক্ষমা প্ৰেম তুলি ;
স্বদেশী প্ৰচাৰ কৰি বিদেশী বিসৰ্জ্জি
“সত্য সন্ধ” কংগ্ৰেচৰ মূল নীতি বুলি।
আনিলে স্বৰাজ ধন বিদেশী মুঠিৰ পৰা
বিনা অস্ত্ৰে সংগ্ৰামত আগবাঢ়ি বাঢ়ি ;
বহালে মাতৃক আনি সযতন কৰি
বিষাদ মলিন হোৱা চৰণ পখালি।

*　　*　　*

অন্তৰ্দ্ধান হল কালি সেই মহাত্মা
কন্দুৱাই ভাৰতীক অসীম গৰ্ভত ;
সেই দিনা অতীতৰ কৃষ্ণ যীশুৰ দৰে
অকাতৰে সানি ললে অস্ত্ৰ বুকত।
বিশ্বমানৱৰ জ্ঞাত, পূবেৰুণ উঠা
পশ্চিমত মাৰ যোৱা খীণোৱা জ্যোতিৰ ;
মানুহে পাৰিছে জানো বুজিব সৌৰৱ
ধ্ৰুব তৰা আবিৰ্ভাৱ আকাশ পথৰ।

হে দেৱ !

আকৌ দিনহি দেখা পৃথিবীৰ একোনত
শান্তিৱনী জ্যোতি ঢালি নৰ হৃদয়ত ;
থাকে মানে ৰবি শশী গুণ গাব হিয়া বাকি
তুলি তুলি কঁপি থকা মাধুৰি সুৰত।

# বিদ্ৰোহী [গল্প]

শ্ৰীভূপেন্দ্ৰ নাথ বৰ পূজাৰী।
প্ৰথম বাৰ্ষিক ( কমাৰ্চ )

"যাঠী টকা!"

"ওঁহো, নহল।"

"তেনেহলে নিশ্চয় স'ত্তৰ টকা!"

"তথাপিতো নহল।"

অচিন্তই চিন্তিত হৈ পৰে। অৰূপে কাম কৰে আঠঘণ্টা, আজিকালি সকলোতে কামৰ নিৰ্দ্ধাৰিত সময় ছঘণ্টা। চৰকাৰী চাকৰি জীবি সামান্য কেৰানীসকলৰো নূন্যতম বেতন পঞ্চাশ টকা। প্ৰাইভেট কোম্পানী হলেও অৰূপ, বৰুৱাৰ 'মটৰ বিভাগৰ' "ষ্টোৰ কিপাৰ।" —"যাঠী, স'ত্তৰ— নহয়, নহয়, এশটকা-এশটকা হ'বই লাগিব।"

"হাঃ হাঃ হাঃ" অৰূপে বৰ জোৰেৰে হাঁহি উঠে। "এশটকা! ভাই অচিন্ত্য কল্পনাৰ ঘোৰদৌৰত আজি তোৰ হাৰ। তই ভাবিছ, বৰুৱাৰ ইমান এখন ডাঙৰ ফাৰ্ম্মত চাকৰি কৰোঁ। অন্ততঃ কোম্পানীৰ নিয়ম মতে নহলেও মোৰ বিদ্যা, বুদ্ধি, ব্যক্তিত্বৰ বিনিময়ত এশটকা পাৰিতোষিক সামান্য কথা।

"শুন অচিন্ত্য, মই কাম কৰো কিহৰ জ্বালাত জান? কেৱল পেটৰ জ্বালাত হোৱা হলে সিমান চিন্তা নাছিল—মোৰ এই পঢ়াৰ খৰচ, বিদ্যা-বুদ্ধি শিকি ডাঙৰ হোৱাৰ সপোনৰ খোৰাক কেৱল মান-সন্মানৰ তুলাচনীলৈ বহি থাকিলেইতো যোগাৰ নহব। সেইদেখি মাত্ৰ মাহে চল্লিচটা টকাত আজি বৰুৱা এণ্ড কোংত মই বিক্ৰীত। বৰুৱাৰ বৰ দয়া। নহলে জুই চাই দাম চাকৰিৰ বজাৰত...... তই বোধকৰো মোৰ এনে অৱনতি কোনো দিনেই আশা কৰা নাছিলি! কিন্তু কি কৰিবি।"

"সৰুকালত বগৰী চুৰ কৰিবলৈ যোৱা দিনৰে পৰা আজিপৰ্য্যন্ত তোৰ লগত ঘুৰিলোঁ, কিন্তু তোক নুবুজিলোঁ। তই সম্পূৰ্ণ এটা প্ৰহেলিকা।"

"শুন অচিন্ত্য, প্ৰহেলিকা বুলি জগতত একোৱেই নাই। ইঁ মানৱ জাতিৰ বিকৃত মস্তিস্কৰ এটা ধাৰণা। হয়তো মোৰ ভুল। কিন্তু মানুহে সহজ কথাবোৰ সহজভাবে লব নোখোজে সহজ ব্যাখ্যা দিব নোখোজে কিয় মই তাকেহে বুজি নাপাওঁ।"

"কিন্তু অৰূপ, তইযে নিজেই নিজৰ কথাত মেৰপাকখাই পৰিছ। এই ধৰ চাকৰি নকৰো বুলি ব্যৱসায়ত ধৰিলি। বেচ, দুবছৰ যাওঁতে নৌযাওঁতেই ৰণ ভঙ্গ দিলি। কাৰণ ব্যৱসায়ত সঠতাৰ বাহিৰে সততাৰ প্ৰধানিও পাবলৈ নায়।

তাৰ পাচত আই-বোপাইৰ শত চেষ্টা-- তোৰ ধনুভঙ্গ পণ 'চাকৰি নকৰো, কৰিলেও বিদ্যা-বুদ্ধিৰ অনুপাতে যদি হয়, আজি ক'ত

ৰ'ল তোৰ সেই দৃঢ় সঙ্কল্প তই নিজেই ভাবি চাচোন।"

"অচিন্ত্য মই স্বীকাৰ কৰো মোৰ পণ আজি নৰল। কিন্তু মই আজি ভাবি পাইছো মই যেতিয়া সেই পণ কৰো মোৰ মন মোৰ পণতকৈ দেউতাৰ ধনৰ ওপৰতহে আছিল।" দেউতাৰ নিচিনা বিত্তশালী অভিভাৱকবোৰে তেওঁলোকৰ পুতেক সকলক ব্যৱসায় সংক্ৰান্ত বিষয় বোৰলৈ উদগনি নিদি মাত্ৰ কেৰানী গিৰিৰ এলেঙ্কুৱা আদৰ্শত কিয় উদ্দীপিত কৰে—তাৰ বাবেই মোৰ এই বিদ্ৰোহ। মোৰ ধনৰ ভৰাল উদং হল যদিও অভিজ্ঞতাৰ ভৰাল কিছু পৰিমানে পূৰ হল।

মোৰ দেউতা আজি নাই, লগে লগে মোৰ ধনৰ গৌৰবো আজি অস্ত হৈছে। কিন্তু বিদ্যাৰ মোহ মোৰ দুগুনে বাঢ়িছে। সেইহে আজি বৰুৱাৰ অনুগ্ৰত চল্লিশ টকীয়া চাকৰি শিৰত লৈ পুনৰ কলেজীয়া জীৱন আৰম্ভ কৰিছো।"

"ভাই অৰূপ, মই তোক বহুত নকব লগীয়া কথা কৈ মাজে সময়ে মনত দুখ দিওঁ। তই সেইবোৰ নধৰিবি মই আশা কৰো তোৰ যেন সাধনা সিদ্ধি হয়। বাৰু এতিয়া মই যাওঁ, সময় বহুত হল। অচিন্ত্যই লাহে লাহে গুলায় যায়। অৰূপে চকি খনতে হেলান দি বহি থাকে। তাৰ মনত অনেক কথাই খেলায় যায়। তাৰ ভাগ্য বিপৰ্য্যয়ৰ কথা। হঠাতেই এনে এটা 'upset' হৈ যাব সি ভাবিবই পৰা নাছিল। বাপেক ঢুকুৱাৰ লগে লগে সি এটা মোটা পৰিমান ধনৰ অধিকাৰী হল। কিন্তু সেই ধন নাথাকিলে ব্যৱসায় কৰি ডাঙৰ মানুহ হোৱাৰ সপোনত—ওহো নহয়—কেৰানীগিৰি নকৰিবলৈ কৰা জেদত ব্যৱসায়ৰ আওভাও নজনা অৰূপে ব্যৱসায়ৰ নামত দুদিনতেই সেই ধন নষ্ট কৰিলে। কিন্তু ধনেযে তাৰ ব্যক্তিত্ব নষ্ট কৰি দি গল। সি আজি ভাবে হয়তো আৰু অলপ ধন যোগাৰ কৰিব পৰা হলে সি আজি এজন পোক্ত ব্যৱসায়ী হব পাৰিলেহেঁতেন।

কিন্তু কোনে দিব সেই ধন। সেয়েতো সমস্যা চেষ্টাৰ অৱশ্যে ত্ৰুটী কৰা নাছিল। তাৰে পাৰাবাসী সমন্ধত এক প্ৰকাৰ মোমা-য়েক শ্ৰদ্ধেয় ৰজনী কান্তৰ ওচৰ চাপি সি কিছুমান উপদেশ শিৰত লৈ ঘৰলৈ উভতি ছিল। সেইদিন ধৰি সি আৰু কাৰো ওচৰলৈ এই বিষয়লৈ আগ বঢ়া নাই। কাৰণ মোমায়েকৰ দৰে অনেকেই তাৰ শ্ৰদ্ধেয়। হয়তো বা মোমায়েকৰ পৰা পোৱা দৰে কিছুমান আশীৰ্ব্বাদ আৰু উপদেশ লাভেই তাৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰা সাৰ হব। থাওক নালাগে সি ব্যৱসায় কৰি ধনী হব। কিন্তু সিও যে অপদাৰ্থ নহয় তাক এদিন সি দেখুৱাবই। দুবছৰ ব্যৱসায় আদিত থাকি মানুহৰ ঘনিষ্ঠ সম্পৰ্ক লৈ আহি সি যি বুজিলে, যি অভিজ্ঞতা লভিলে সেয়েই তাৰ যাত্ৰাপথৰ সহায় হ'ব।

উঃ! সংসাৰ যাত্ৰাৰ পথ যে ইমান বন্ধুৰ হব সি ভাবিবই পৰা নাছিল। প্ৰতি খোজ-তেই বাধা, সঠতা, নিৰাশা, চিন্তা। দয়া, প্ৰেম, ক্ষমা শব্দবিলাক প্ৰসিদ্ধ গ্ৰন্থকাৰ

সকলৰ প্ৰকাণ্ড প্ৰকাণ্ড অভিধান লিখাই সাৰ হল। বোধকৰো শব্দবোৰৰ বাখ্যা দিওঁতে ভুল হল। বেচ্। কুৰি শতিকাৰ কুৰিত ভৰি দি সি আজি শপঠ লৈছে—দেৱতাৰ চৰণত মূৰ থৈ নহয়, নিজৰ বিবেকৰ আগত শৰণ লৈ—সিও ডাঙৰ হব। মানুহ হব। মানুহে স্বীকাৰ কৰিব লাগিব তাৰ অস্তিত্ব। সমাজে দিব লাগিব ওখ আসন। তাৰ কাৰণে সি সকলোৰেই কৰিব। আজি সি ভয়ঙ্কৰ—বিৰাট তাৰ সম্ভাৱনা।

* * *

আৰু এটা দিন। পুৱা অচিন্তই চাহ-টোপা গিলিয়েই অৰূপৰ ঘৰলৈ খোজ লৈছে। বাটতে ৰণজিতৰ দেখা।

"এই চল পুৱাতেই ইমান বেগাবেগিকৈ কলৈ?"

"অৰূপৰ তালৈকে বুলি ওলাইছো, কিবা এটা খবৰ কৰিবলৈ।"

"তোমাৰ সখীয়েৰা যে উৰি গৈছে বান্ধ। বতাহৰ লগত মিলি গৈছে। ময়ো তাৰে পৰাই।"

"ঠাট্টা নকৰিবা ৰঞ্জিত। কি হৈছে সঁচা কথাটোকে কোৱাচোন?"

"ঠাট্টা নহয়। বাস্তৱ সত্য। যোৱা কালি বৰুৱাই টকা খোৱাৰ অপৰাধত অৰূপক চাকৰিৰ পৰা বৰ্খাস্ত কৰিলে। লগে লগে তেওঁ অন্তৰ্দ্ধান। তাকে নকৰি উপায় কি! লাজত মুখ দেখুৱাবলৈ ঠাই যে নাই।"

অচিন্ত্য থৰ লাগি তাতে ৰল। ৰঞ্জিতে নিজৰ বাটত আগ বাঢ়ে। অচিন্তই ভাবে তাকো এবাৰ জানিবলৈ দিব নাপায় নে! সকলোৱে তাক দোষী কৰিলেও সি জানো বিশ্বাস কৰিব। সিটো শুনিছিল বৰুৱাৰ কাৰখানাত হৈ যোৱা ধৰ্ম্মঘটত অৰূপৰ যোগ আছে বুলি বৰুৱাই সন্দেহ কৰে। তাৰ পৰিণতি যে এনে হব হায় ভগবান!

* * *

সময়ৰ চকৰী ঘূৰিবই লাগিছে—অবিৰাম গতিত। যুদ্ধৰ হুজুগত মানুহে পাহৰি গৈছে পুৰণি কথা। পাহৰি গৈছে অভিজাত অৰূপক, পাহৰি গৈছে অপৰাধী অৰূপক, চৌদিশে ব্যৱসায় বানিজ্যৰ ধুম পৰিছে। মিলিটেৰী চাপ্লাই কণ্ট্ৰেক্টাৰী, দোকান-পোহাৰ, বেঙ্ক আদিৰে গোটেই দেশ ভৰি পৰিছে। ঝন্ ঝন্ ঠন্ ঠন্ টকা, টকা, টকা চাৰিওফালে টকা। মূৰ ঘূৰি যায়। ধনী হোৱাৰ সুবৰ্ণ সুযোগ।

অৰূপ আজি 'মিড নাইট' বেঙ্কৰ **এজেণ্ট**। মস্ত বেঙ্কাৰ। সৰু পকী দালানটোৰ আগত বেচ ধুনীয়াকৈ ফুলনীখন পাতিছে। অৱশ্যে ঘৰটো তাৰ নিজা নহয়—তাৰ সি ভাড়াটীয়া হে। তাৰ মটৰ গেৰেজ আজি নতুন ভেকম্-হল' গাড়ীয়ে শুৱনি কৰিছে। তাৰ ঘৰ আজি কালি পুৱা গধূলি client এৰে ভৰি থাকে—অৱশ্যে টকা ধাৰে বিচৰা কণ্ট্ৰেক্টৰ, চাপ্লায়াৰ আদিৰ দল।

বেঙ্কৰ ধন ধাৰলৈ দিয়াৰ চুক্তিৰ লগতে তাৰ নিজৰ লাভৰ অংশৰ চুক্তিটো কৰিবলৈ সি আজি নাপাহৰে বেঙ্কিং বিজিনেছত বেচ্, দুপয়চা আছে। ৰথ চক্ৰ ঘূৰিবই লাগিছেঁ।—দ্ৰুত গতিৰে।

বৰুৱা আজি লৰি আহিছে অৰূপৰ কাষলৈ। তেওঁৰ মুমলীয়া কন্যা প্ৰভা আই-দেউক অৰূপকে গতাই জীৱনৰ বাকী কেটা দিন শান্তিৰ কোলাত বিশ্ৰাম লবলৈ।

অৰূপ! অৰূপ জানো বলীয়া হল! যি বৰুৱাই এদিন টকা চুৰিৰ অপৰাধত গধূৰ বোজা কান্ধত চপাই দি অৰূপক দেশান্তৰিত কৰিছিল সেই বৰুৱাৰে সি আজি জোৱাঁই! হায় অৰূপ! তোৰ অলপো আত্ম মৰ্য্যদাবোধ নাইনে?

নহয়, অৰূপে থিকেই কৰিছে। বেচ্ বুদ্ধিমানৰ কামেই কৰিছে। এই সুযোগতে বৰুৱাৰ পৰা এটা মোটা টকাৰ পৰিমাণ আদায় কৰি তাৰ "মিড্ নাইট" বেঙ্কৰ ধনৰ পূজি শকট কৰিছে। লগে লগে তাৰ মান সম্ভ্ৰমো বাঢ়িছে, সি ধনী মানী ৰায়বাহাদুৰ বৰুৱাৰ জোৱাঁয়েক। সেই সৰু ভাড়া ঘৰ-টোৱে তাক এতিয়া নোজোৰে। তাৰ সংসাৰ বহল হৈছে। সি সেই বৃহৎ এল পেটাৰ্ণৰ বঙলাটোলৈ উঠি গৈছে—নবদম্পতিৰ সুবিধাৰ কাৰণেই সজা-শহুৰেকৰ দান।

* * *

—দিন গৈ থাকে।

"আপোনাৰ আজি কালি খোৱা বোৱাত অৰুচি হৈছে কিয়? আপোনাক কিছুদিনৰ পৰা চিন্তাৰোগেহে যেন পাইছে। মোকো আপুনি সচাঁ কথা নকয়নে? কি হৈছে। মোলৈ বাৰু আপোনাৰ অকনো মৰম নোপজেনে?

প্ৰভায় কয়।

'ক'তা মোৰটো' একো হোৱা নাই। চিন্তাৰ কথা কৈছা। সাধাৰণ কথা। ৰাজ্য যিমানেই ডাঙৰ হয় ৰজাৰ ৰাজ্য ৰক্ষাৰ চিন্তাও সিমানেই বাঢ়ে। তাক জানো তুমি বুজা। এতিয়াও আজলী জনী হৈয়ে থাকিলা। ৰাতি বহুত হৈছে। শুই থাকা যোৱাঁ।"

প্ৰভাই একো নামাতে। চুইচটো অফ কৰি দি শুই থাকে। অৰূপে কিছুপৰ আন্ধা-ৰতেই বহি থাকে তাৰ চিন্তাৰ গতিয়ে পাকখাই আঁত হেৰুৱাই পেলায় খেলি মেলি লাগি পৰে। ইমান সুখ, সম্ভোগ, সৌভাগ্যৰ অধিকাৰী হৈও আজি সি কাঙাল। নিদ্ৰাহীন অৰূপে ভাবোতে ভাবোতে চকু কোটৰ পট হ'ল। কোনে জানে অৰূপৰ অন্তৰত কিহৰ জুই জ্বলিছে।

* * *

আৰু এদিন পুৱা। বাহিৰত লেঠাৰি-নিচিগা বৰষুণ। লগে লগে কান তাল মৰা মেঘৰ গাজনি আৰু বিজুলীৰ চমকনি—প্ৰকৃ-তিয়ে ভীষণ আকাৰ ধাৰণ কৰিছে। এনেয়ে মাঘ মহীয়া জাৰ, তাতে এনে এটা ভীষণ ৰাতিপুৱা। প্ৰভাই উঠো উঠো বুলিও এলা-হতে লেপখন গায়ে মূৰে লৈ পৰি আছে।

"আইদেউ, আইদেউ! দেউতা ক'ত?" লগুৱা গহীনে উধাতু খাই ল'ৰি প্ৰভাক চিঞৰি উঠে।

"জানো ক'ত, মই শুই থকা মানুহ-জনীয়ে কেনেকৈ ক'ম? "দেউতাৰ এই ৰাতি-পুৱা খনতে ক'লৈ গ'ল?" প্ৰভাই শুইথকা অৱস্থাতে কয়।

"আইদেউ উঠক! উঠক! পুলিচ!

"পু-লি-চ!" প্ৰভাই একে জাপেই শোতেলিৰ পৰা উঠি আহে।

'হয় পুলিচ, দেউতাক বিচাৰি আহিছে। আৰু এইখন কাগজ দিছে।' প্ৰভাৰ চকু বিস্ফাৰিত হৈ পৰে। এইখন যে গ্ৰেপ্তাৰী পৰোৱানা! 'ছদ্মনামত জাল কৰি বেঙ্কৰ টকাৰ আত্মসাৎ কৰাৰ অপৰাধত অৰূপ গ্ৰেপ্তাৰ।" প্ৰভা সেইফালেই ঢলি পৰে। হায়! তাইৰ ভাগ্যত ইয়াকেহে আছিল! গহীনে প্ৰভাৰ মূৰত তেলপানী দি বিচিব ধৰে

"দেউতাৰ ঘৰত নাই?" প্ৰভাই সেহাই সেহাই সোধে "ক'তা মই শুই উঠা নাই বুলিয়েইতো ভাবিছিলো।"

গহীনে কয়।

"আইদেউ, আইদেউ দেউতাৰ টেবুলত এইখন কাৰ চিঠি চাওকচোন?" গহীনৰ চকু অৰূপৰ টেবুলত থকা চিঠিখনৰ ওপৰত পৰে। কাৰণ অৰূপৰ টেবুলৰ কোনো বস্তুৱেই কোনো দিন বিশৃঙ্খলিত হৈ নাথাকে— সি সদায় দেখিছে।

খামৰ ওপৰত লিখা আছে "To my dear shintya........" এটা টিকট লগোৱা খাম। বন্ধ নকৰা খামটোৰ পৰা চিঠিখন উলিয়াই কৌতূহল বশতঃ—কোনো কোনো দিনে কল্পনাতো নভবা কাম— প্ৰভাই কঁপি কঁপি পঢ়ি যায়—

মৰমৰ অচিন্ত্য,

তোৰ হাতত এই চিঠিখন পৰাৰ আগতে মই বহুদূৰ পামগৈ। যাবৰ সময়ত তোক এবাৰ ওচৰত পোৱা হলে কিছু শান্তি পালো-হেতেঁন। কাৰণ মোৰ জীৱনত যদি কিবা ক'ব লগা আছে বা কিবা শুনিব লগা আছে তেনেহলে সেইটো তোকেই আৰু তোৰে পৰা। তই যেতিয়া শুনিবি "বেঙ্কৰ টকা আত্মসাৎ কৰাৰ অপৰাধত অপৰাধী অৰূপ পুলিচৰ গ্ৰেপ্তাৰৰ হাত সাৰিবলৈ বুলি ধন সম্পত্তি, মান সম্ভ্ৰম, সংসাৰৰ মায়া আদি সকলো প্ৰলয়ৰ হুঙ্কাৰৰ মাজত বিলীন কৰি দি দেশান্তৰিত হৈছে" বোধকৰো আচৰিত নহব। কাৰণ মোৰ বিশ্বাস তই মোক যিমানখিনি বুজ আন কোনোৱে সিমানখিনি নুবুজিব।

মোৰ জীৱনৰ লক্ষ— আত্ম প্ৰতিস্থাৰ পথত আগবাঢ়ি যাওঁতে মই বহুত খিনি-য়েই পাইছিলো। বৰ মানুহৰ জোৱাঁই হৈ যি মান সম্ভ্ৰমৰ অধিকাৰী হৈছিলো লোক সমাজত ধনী মানী বুলি খ্যাত হৈছিলো বোধকৰো সিয়েই মোৰ আকাঙ্খা নিবৃত্তিৰ পথত অন্তৰায় হ'ল: যুদ্ধৰ বজাৰ অন্ত হলত লগে লগে মোৰ আয়ৰ অঙ্কও টুটি গৈ এটা সীমাবদ্ধ অঙ্কত ৰূপ ললে; কিন্তু মোৰ মটৰৰ পেট্ৰলৰ খৰচ মোৰ বৃহৎ সংসাৰৰ খৰচ অটুতেই ৰ'ল। নহলেযে বৰ মানুহৰ জোৱাঁই হোৱাৰ সাৰ্থকতা ক'ত?

আজি মোক মানুহে চিনি পায় ৰায়-বাহাদুৰৰ জোৱাঁয়েক বুলি. সন্মান কৰে মোৰ ব্যক্তিত্তক নহয়—মোৰ ধন সম্পত্তিৰ গৌৰবক। তাকে বজাই ৰাখিবলৈ সকলো কথাতে মই মোৰ ধনী শহুৰৰ ওচৰত হাত পতাতো মই স্বীকাৰ কৰিব নোৱাৰিলো।

"আইদেউ উঠক! উঠক! পুলিচ!

"পু-লি-চ!" প্রভাই একে জাপেই শেতেলিৰ পৰা উঠি আহে।

'হয় পুলিচ, দেউতাক বিচাৰি আহিছে। আৰু এইখন কাগজ দিছে।" প্ৰভাৰ চকু বিস্ফাৰিত হৈ পৰে। এইখন যে গ্ৰেপ্তাৰী পৰোৱানা! 'ছদ্মনামত জাল কৰি বেঙ্কৰ টকাৰ আত্মসাৎ কৰাৰ অপৰাধত অৰূপ গ্ৰেপ্তাৰ।" প্ৰভা সেইফালেই ঢলি পৰে। হায়! তাইৰ ভাগ্যত ইয়াকেহে আছিল! গহীনে প্ৰভাৰ মূৰত তেলপানী দি বিচিব ধৰে

"দেউতাৰ ঘৰত নাই?" প্ৰভাই সেহাই সেহাই সোধে "ক'তা মই শুই উঠা নাই বুলিয়েইতো ভাবিছিলো।"

গহীনে কয়।

'আইদেউ, আইদেউ দেউতাৰ টেবুলত এইখন কাৰ চিঠি চাওকচোন?" গহীনৰ চকু অৰূপৰ টেবুলত থকা চিঠিখনৰ ওপৰত পৰে। কাৰণ অৰূপৰ টেবুলৰ কোনো বস্তুৱেই কোনো দিন বিস্থৃঙ্খলিত হৈ নাথাকে— সি সদায় দেখিছে।

খামৰ ওপৰত লিখা আছে "To my dear shintya........" এটা টিকট লগোৱা খাম। বন্ধ নকৰা খামটোৰ পৰা চিঠিখন উলিয়াই কৌতূহল বশতঃ—কোনো কোনো দিনে কল্পনাতো নভবা কাম— প্ৰভাই কঁপি কঁপি পঢ়ি যায়—

মৰমৰ অচিন্ত্য,

তোৰ হাতত এই চিঠিখন পৰাৰ আগতে মই বহুদূৰ পামগৈ। যাবৰ সময়ত তোক এবাৰ ওচৰত পোৱা হলে কিছু শান্তি পালোহেতেঁন। কাৰণ মোৰ জীৱনত যদি কিবা ক'ব লগা আছে বা কিবা শুনিব লগা আছে তেনেহলে সেইটো তোকেই আৰু তোৰে পৰা। তই যেতিয়া শুনিবি "বেঙ্কৰ টকা আত্মসাৎ কৰাৰ অপৰাধত অপৰাধী অৰূপ পুলিচৰ গ্ৰেপ্তাৰৰ হাত সাৰিবলৈ বুলি ধন সম্পত্তি, মান সম্ভ্ৰম, সংসাৰৰ মায়া আদি সকলো প্ৰলয়ৰ হুঙ্কাৰৰ মাজত বিলীন কৰি দি দেশান্তৰিত হৈছে" বোধকৰো আচৰিত নহব। কাৰণ মোৰ বিশ্বাস তই মোক যিমানখিনি বুজ আন কোনোৱে সিমানখিনি নুবুজিব।

মোৰ জীৱনৰ লক্ষ— আত্ম প্ৰতিষ্ঠাৰ পথত আগবাঢ়ি যাওঁতে মই বহুত খিনিয়েই পাইছিলো। বৰ মানুহৰ জোৱাঁই হৈ যি মান সম্ভ্ৰমৰ অধিকাৰী হৈছিলো লোক সমাজত ধনী মানী বুলি খ্যাত হৈছিলো বোধকৰো সিয়েই মোৰ আকাঙ্খা নিবৃত্তিৰ পথত অন্তৰায় হ'ল। যুদ্ধৰ বজাৰ অন্ত হলত লগে লগে মোৰ আয়ৰ অঙ্কও টুটি গৈ এটা সীমাবদ্ধ অঙ্কত ৰূপ ললে; কিন্তু মোৰ মটৰৰ পেট্ৰলৰ খৰচ মোৰ বৃহৎ সংসাৰৰ খৰচ আটুতেই ৰ'ল। নহলেযে বৰ মানুহৰ জোৱাঁই হোৱাৰ সাৰ্থকতা ক'ত?

আজি মোক মানুহে চিনি পায় ৰায়-বাহাদুৰৰ জোৱাঁয়েক বুলি, সন্মান কৰে মোৰ ব্যক্তিত্বক নহয়—মোৰ ধন সম্পত্তিৰ গৌৰৱক। তাকে বজাই ৰাখিবলৈ সকলো কথাতে মই মোৰ ধনী শহুৰৰ ওচৰত হাত পতাতো মই স্বীকাৰ কৰিব নোৱাৰিলো।

মোৰ আত্ম-মৰ্য্যদা বোধ ক্ষুন্ন হোৱাৰ ভয়ত, মোৰ নিজত্ব হেৰুৱাৰ দুখত ।

লোক সমাজৰ আগত মই আজি পলাতক — অপৰাধী। এদিন বৰুৱাই অপৰাধৰ গধুৰ বোজা চপাইদি মোক তেওঁৰ ফাৰ্ম্মৰ পৰা দূৰ কৰি দিছিল । আজি কিন্তু মই নিজে সেই বোজা আহৰণ কৰি দূৰ হৈ যাম। বিচাৰৰ তুলাচনিলৈ পূৰ্ব্বে তেওঁ মোক দায়ী কৰিছিল আজি সেই তুলাচনীৰেই বিচাৰ কৰক দায়ৰ ভাগ কেৱল মোৰেইনে আৰু কাৰোবাৰ……।

এদিন বিদ্ৰোহ কৰিছিলো ৺দেউতাৰ বিৰুদ্ধে, আজিৰ বিদ্ৰোহ আৰু এক কাৰোবাৰ বিৰুদ্ধে।

বোধকৰো মোৰ জীৱনত সফলতা নাহিব। তথাপিতো নবযুগত নবজ্যোতিৰ সন্ধানত বাহিৰ হৈছোঁ। আশাকৰো আকৌ এদিন আহিম — আত্ম প্ৰতিস্থাৰ নতুন সমলৈ। সেইদিনা মানুহে মানুহক মানুহৰূপে সন্মান কৰিব, আকোৱালি লব, ধনী, ক্ষমতাশালী ৰায়বাহাদুৰ খানবাহাদুৰ ৰূপে নহয়। মোৰ এই আশা কেতিয়াবা পূৰ্ণ হবনে?

— বিদায়!

ইতি—

তোৰ

অৰূপ

হায়! বিদ্ৰোহী অৰূপ! আকাঙ্খী অৰূপ! তোৰ জানো সেই আশা কেতিয়াবা পূৰ্ণ হব!

---

## অন্তিম যাত্ৰা।

অধ্যাপক বেণুধৰ ৰাজখোৱা।

যাবলৈ ওলালোঁ মই কেহেলি কেন্দেলি।
কোন্ বাটে যাব লাগে, জনা-শুনা নাই।
সমূলি যাবৰ মন নাই নাই মোৰ।
একোকে নেজানো হাঁয় কেনে সেই ঠাই।

নিজ ঘৰ-বাৰী এৰি কিয় যাম মই?
যদি যাব লাগে, ঘৰ সাজিছিলোঁ কিয়?
ইয়ালৈকে গৃহস্থালি পাতিছিলোঁ নেকি?
ক'ত পৰি ৰল মোৰ পৰিজন প্ৰিয়!

পৰিয়ালে বেৰি আছে, নামাতে কোনেও।
চকুলোৰে ভাৰ্য্যা, মোৰ জনায় সম্প্ৰীতি।
কিন্তু কাৰো চেষ্টা নাই ধৰি ৰাখিবলৈ।
এয়ে নেকি পৃথিৱীৰ গতি ৰীতি নীতি?

খিলিলিং—লিং কৰে ধনৰ মোনাটো।
তথাপি নিদিয়ে মোক বাটৰ খোৰাকি।
ভাবোঁ যাওঁ কিয় মই নিঠৰুৱা হই।
নাযাওঁ, ভুঞ্জিম সুখ ইয়াতেই থাকি।

কিন্তু, কিন্তু, টানে মোক নজনা শক্তিয়ে।
হল মোৰ বিয়াকুল চিত মন প্ৰাণ।
তেনেতে নিয়তি আহি কানে কানে কলে—
"জানিবা খণ্ডন নাই বিধিৰ বিধান"!

এতিয়া পালেহি ৰথ কৰবাৰ পৰা।
দুগোটা পখীয়ে আহি ৰথ নিয়ে টানি।
এটা ম'ৰা পখী আৰু আনটো শগুণ।
ঘৰ এৰি এই দৰে আলই আথানি!

সোঁও দিশে টানে ৰথ সুশ্ৰী ম'ৰাপখী—
সি পোনে শগুণে টানে পখী কদাকাৰ।
শগুণৰ বল বেচি, সিয়ে নিলে টানি।
পোৱালেগৈ পাচে মোক যমৰ দুৱাৰ।

এতিয়াহে হল মোৰ কৰ্ম্মফল—সোধ।
মোক সুধি—পাচে মোৰ সাক্ষীও বিচাৰে।
কলোঁ "মোৰ শৰীৰতে আছে চৈধ্য সাক্ষী,
তেওঁলোকে মোৰ পক্ষে সাক্ষ্য দিব পাৰে"।

হাঁয় হাঁয়, কলে মোৰ বুকু ফাটি যায়—
সপক্ষে নকলে মোৰ সাক্ষী কোনো জনা।
উপায় নেপাই মই কান্দিব ধৰিলোঁ—
অনুতপ্ত হৈ ক্ষমা কৰিলোঁ প্ৰাৰ্থনা।

সৰল প্ৰাণেৰে মই অনুতাপ কৰি,
ৰজাৰ পাৱত পৰি কান্দিলোঁ অশেষ।
কুমলি যমৰ বজ্ৰ-হিয়া এটিবাৰ—
কলে 'শুন্, দুৰ্ভগীয়া, ই মোৰ আদেশঃ—

সঁচাকই যদি তই হৈছ অনুতপ্ত,
অহাবাৰ আচৰিবি সুনীতি ধৰম।
ঘূৰি যাগৈ পৃথিবীলৈ এৰিলোঁ ইবাৰ ;
ইচ্ছামতে পৃথিবীত লভিবি জনম"।

এনেতে শগুণে টানি নিলে ৰথ খন—
অকলে থাকিল ম'ৰা মোলৈ বাট চাই।
ৰাজ-আদেশত উঠি ম'ৰাৰ পিঠিত,
পৃথিবীলৈ চুটি মেলি আহিলোঁ টোৱাঁই।

—:০:—

## "অসম্পূৰ্ণ।" (গল্প)

শ্ৰীনৰেন্দ্ৰনাথ চুতীয়া।
২য় বাৰ্ষিক ( কলা )।

"এয়ে নেকি মানৱসভ্যতাৰ পৰিচয় ? যি সময়ত মানৱহে মানৱৰ ধ্বংসৰ বাবে উঠি-পৰি লাগে, মানৱহে মানৱক অতি নৃসংসভাৱে নীৰিহ প্ৰাণীৰ দৰে হত্যা কৰিবলৈ অলপো কুণ্ঠা বোধ নকৰে,—পিতৃ-মাতৃৰ আগত সন্তানক, স্বামীৰ আগত ভাৰ্য্যাক, প্ৰেমিকৰ আগতে প্ৰেমিকাক হত্যা কৰি আনন্দ লাভ কৰে। যি সময়ত মানৱে অতি ঘৃণিত পশুৱত আচাৰ অৱলম্বন কৰি, মনুষ্যত্বৰ লাজ মান সকলো জলাঞ্জলী দি দুৰ্দমনীয় মানৱৰ ঘৃণিত প্ৰবৃত্তি বোৰৰ তুষ্টি সাধন কৰিবলৈ অকনো লজ্জা বোধ নকৰে। এনে এটা সময়ো আহে নে—যি সময়ত নৰ-পিশাচ হতে নৰ-ৰক্তেৰে প্লাৱিত হৈ, নৰ-শোণিতৰ সোৱাদ লবলৈ বলীয়াৰ দৰে ঘূৰি ফুৰে লহ্-লহ্ জিভামেলি, হাতত উদং তৰোৱালবোৰ নৰ-শোণিতেৰে ৰঞ্জিত কৰি শূণ্যতে জোকাৰি ফুৰে। তথাপি যেন সিহঁতৰ তৃপ্তি নহয়। "আৰু লাগে নৰ-শোণিত সিহঁতে চিঞৰি চিঞৰি কয়।"

"এনে এটা মুহুৰ্ত্ততে সিও এদিন ঘূৰি ফুৰিছিল নগৰৰ মাজৰ বহল আলিবাটটোত।

তাৰ হাততো আছিল এখন 'ডেগাৰ'; সেই খনেও হয়তো দেখিবলৈ পাইছিল তাৰে নিচিনা কেইবাজনো যুৱকৰ কলিজাৰ অন্তৰতম ঠাই ডোখৰ—য'ত সেইখন প্ৰৱেশ কৰিলেই সেইজনক যমৰ অতিথি হবলৈ বাধ্য কৰায়। 'ডেগাৰ খনৰ গাৰ পৰা কলা ক'লা তেজৰ চামনি বোৰ শুকাই তেতিয়া ক'লা মাৰি ধৰিছে। তথাপি চুৰিকা খন আঁউসীৰ কলা আন্ধাৰতে জিলিকি উঠিছে। তাৰ মুখৰ উদিগ্নতাৰ দৰেই 'চুৰিকা' খনো যেন মানৱৰ কোমল কলিজাৰ ৰঙা তেজৰ লালসাত উদিগ্ন হৈ উঠিছে।"

সি ক্ৰমে আগ বাঢ়ে। সেই ঘোৰ আঁউসীৰ কলা আন্ধাৰতো তাৰ চকুহুটা জুকোৰা জুইৰ দৰে জ্বলি উঠি তাৰ মনৰ উদিগ্নতা প্ৰকাশ কৰিছে। ওপৰৰ আকাশ খনো সেইদিনা কলা কলা ঘন ডাৱৰেৰে ভৰা। সেই ডাৱৰ বোৰৰ মাজেদি তুই এটা তৰাই মৰ্ত্তলৈ ভুমুকিয়াই চাই মৰ্ত্যবাসী মানৱৰ নৃসংস ঘৃনিত কাৰ্য্যবোৰ দেখি মিচিকি মিচিকি হাহিঁ উঠিছে। চাৰিওফালে এটা গভীৰ নিস্তব্ধতাই ঠাইখন আগুৰি ধৰিছে। সেই নীৰৱতা আৰু ক'লা আন্ধাৰ ফালি সি উদিগ্ন ভাবে গৈ থাকে। তাত নাই কোনো জীৱিত প্ৰাণীৰ এটি সঁহাৰি মাত্ৰ আলি বাটটোৰ ইফালে সিফালে নীৰৱ, স্পন্দ বিহীন মানুহৰ দেহ বিলাক ধূলি-বালীৰে চেদেলি-ভেদেলি হৈ পৰি থাকে। আন্ধাৰৰ মাজত বিলীন হৈ সি গৈ থাকোঁতে মৰা শ-বোৰত সি বাৰে বাৰে উজুটি খায়। সেই বোৰে যেন তাক আন্ধাৰৰ মাজৰ পৰা অস্পষ্ট ভাষাৰে কৈছে, "হে'ৰ আৰু বেচি আগুৱাব নালাগে।" তাৰ একোলৈকে ভ্ৰুক্ষেপ নাই, মাথোন গৈ থাকে কিবা এটা সন্ধানত।

নগৰৰে এচুকত থকা এটি নিচেই দৰিদ্ৰ পৰিয়ালৰ একেটি মাথোন সন্তান আছিল মলিন। সি সংসাৰ খন ভালদৰে উপলব্ধি কৰিবৰ পৰাই সুখ-সম্ভোগৰ লগত ভেটা ভেটি হোৱা তাৰ মনত নপৰে। বোধ হয় নিয়তী তাৰ প্ৰতি বিমুখ। তথাপি সি হতাশ নহৈ নিয়তীৰ বিৰুদ্ধে যুজিবলৈ কঁকালত টঙালী বান্ধি ওলাল। তাৰ মৰ সাহ দেখি নিয়তীয়ে বিদ্ৰুপৰ হাঁহি মাৰিলে। হাঁহে হাহঁক,—সি কিন্তু কৰ্ত্তব্যলৈ দৃঢ় সংকল্প হ'ল।

নিয়তীৰ লগত সংগ্ৰাম কৰি কৰি সেইবাৰ সি কলেজীয়া জীৱনত উপনীত হৈছিল গৈ। যদিও আনবোৰৰে দৰে এটা কলেজীয়া ছাত্ৰ, তথাপি সেই মধুময় জীৱনৰ স্বাধীন চিতৰ সোৱাদ লবলৈ স্বাধীন প্ৰাণৰ মৌ উপভোগ কৰিবলৈ তাক অৱস্থাই এৰা দিয়া নাছিল। নিষ্ঠুৰ দৰিদ্ৰতাই তাৰ মনৰ সকলো উদ্যম, আশা-ভৰষা, ভৱিষ্যত সোনালী সপোন দেখাৰ টোপনি ভাঙি দিছিল। সি কেতিয়াবা হতাশ হৈ যায়, কেতিয়াবা নিজৰ ওপৰতে ধিক্কাৰ আহে। তাৰ জীৱনৰ মুহূৰ্ত্তবোৰ ঘড়ীৰ টিক্ টিক্ শব্দৰ লগে লগে অনন্তৰ ফালে আগ বাঢ়ে; কিন্তু তাৰ অৱস্থাৰ হলে একো পৰিৱৰ্ত্তন নহল।

ইতিমধ্যে দেশৰ হেজাৰ হেজাৰ মানৱে জননী-জন্মভূমিৰ স্বাধীনতা পূজাৰ বেদীত

প্ৰাণ আহুতি দিবলৈ যাব ধৰে। তুচ্ছ জীৱন বন্দুকৰ নলৰ-ধোৱাঁৰ লগত উৰুৱাই দিবলৈ দেশৰ সন্তানবোৰৰ আহ্বানত মলিনেও থিৰেৰে থাকিব নোৱাৰিলে। তাৰ প্ৰাণেও চিঞৰি উঠিল. "বন্দে-মাতৰম, "ইন্‌কিলাব্-জিন্দাবাদ" সি লৰি গ'ল আলি বাটেদি যোৱা শোভাযাত্ৰাটোলৈ। সি মুহূৰ্ত্ততে পাহৰি গ'ল তাৰ দৰিদ্ৰতা, দৰিদ্ৰ দুখুনী তাৰ মাকজনীলৈ আৰু সি পাহৰি যায় ভবিষ্যত পৰিণাম। সি সবাটোকৈ আগবাঢ়ি হাতত ত্ৰিৰঙ্গ-পাতকা-খন লৈ জনতা টো আগুৱাই নিয়ে।

শোভাযাত্ৰা কিছুদূৰ গৈয়ে স-শস্ত্ৰ পুলিচৰ দ্বাৰা বাধা প্ৰাপ্ত হৈ থমকি ৰয়। 'ৰাইফেল' আৰু 'সঙ্গীন' তুলি পুলিচবোৰ গৰজি উঠি কলে, আৰু এখোজ আগ নাবাঢ়িবিহঁক।" স-শস্ত্ৰ পুলিচ দেখা-মাত্ৰকে শোভাযাত্ৰাৰ মানুহ বিলাকৰ ভয়-সঞ্চাৰ হ'ল। যেতিয়া পুলিছে ভয় প্ৰদৰ্শাবলৈ বন্দুকবোৰ শূন্যতে ফাঙ্কা আৱাজ' কৰিলে, তেতিয়া শোভা-যাত্ৰাৰ মানুহবোৰ ফৰিং চিটিকাদি বহুতেই পলাই লৰ ধৰিলে। মলিন কিন্তু অলপো চঞ্চল নহল. এখোজো পিচ নুহুহকিলে। তাৰ কপালত দৃঢ়তাৰ ৰেখাকিদাল আৰু চকুত দৃঢ়তাৰ চাৱনীটো পৰিস্ফুট হৈ উঠিছে। "তহঁতৰ ভয়ত পলাবলৈ মই ভীৰু নহওঁ" সি কৈ উঠে।

"তেন্তে আগবাঢ়" এটা অস্ত্ৰধাৰী পুলিচে কয়। বন্দুকৰ মুখৰ সঙ্গীনখন তাৰ ফালে পোনাই ধৰে। মলিনৰ সহায় আৰু অস্ত্ৰ একমাত্ৰ হাতৰ ত্ৰিৰঙ্গ নিচানখন। তাৰ সহায়তেই সি পুনৰ দুখোজ আগ বাঢ়ে। তাৰ পিচলৈ উভটি চাবলৈ অৱসৰ নাই. সি যি আগ বাঢ়িল, আৰু দুনাই উভটি যাবলৈ তাৰ প্ৰাণে নামানিলে। মাত্ৰ এহাতৰ ব্যৱধানত তাৰ মৃত্যু বা বিজয় নিচান অপেক্ষা কৰি আছে। সি সকলো বাধা উপেক্ষা কৰি 'এবিধ' লাভ কৰিবলৈ এখোজ পুণৰ আগ বঢ়ালে আৰু লগে লগেই বন্দুকৰ শব্দ হ'ল— "গুকম।"

সি কাণ্ড দেখি আচৰিত হৈ গল। "ই কি ফতেমা? আপুনি হঠাৎ পিচৰ পৰা আহি কিয় মোৰ বিজয় নিচান কাঢ়ি ললেহি?" সি হতভম্ব হৈ যায়। কথাষাৰ কোৱাৰ লগে লগে পুলিচে তাৰ হাতত লোহাৰ শিকলি পিন্ধাই দিলে। সি একো বুজিব নোৱাৰিলে। সকলো তাৰ মানত সপোন যেন হে লাগিল। তাক পুলিচে বলেৰে থানালৈ টানি লৈ গ'ল।

ফতেমা সিহঁতৰ কলেজৰেই প্ৰথম বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰী। দেশৰ আৰু সমাজৰ কামত স্ত্ৰীজাতিৰো যে সমান অধিকাৰ, তাক তেওঁৰ প্ৰতি কথা আৰু প্ৰত্যেকটো কৰ্ম্মৰ মাজেদি প্ৰকাশ পাইছিল। শ্ৰেণীৰ ছাত্ৰী সকলক সামাজিক, ৰাজনৈতিক কামবোৰত আগুৱাই নিয়াত তেৱেঁ আগ ভাগ গ্ৰহণ কৰি আহিছে। সেই দিনাও শোভা যাত্ৰাত তেওঁ কলেজৰ সহপাঠিনী সকলক লগতলৈ আগ ভাগ গ্ৰহণ কৰিছিল। পুলিচৰ আক্ৰমণত মানুহবিলাক পলাই যাওঁতে তেৱেঁই চিঞৰি চিঞৰি কৈছিল। "ভাই বন্ধু সকল ভীৰুৰ দৰে ল'ৰি নপলাব; আমি যদি দেশৰ প্ৰকৃত সন্তান হওঁ তেন্তে দেহৰা এটোপল তেজ দি হলেও পৰাধীনা

বন্দিনী মাতৃৰ উদ্ধাৰ কৰিহে এৰিম।" তেওঁৰ সেই বীৰত্বপূৰ্ণ আহ্বান সকলোৱে উপেক্ষা কৰিব পৰা নাছিল।

যেতিয়া মলিনে অকলসৰে সঙ্গীনৰ আগলৈ গল, তেতিয়া হঠাৎ ফতেমা আগত আহি পৰেহি আৰু লগে লগেই পুলিচে গুলি চলায়। ফলত তেওঁৰ হাত এখন সাংঘাটিকৰূপে আহত হয়। তেওঁ অৱস হৈ পৰি যোৱাৰ লগে লগে আনবিলাক লগৰি আহি ধৰি হাস্পাতাললৈ লৈ যায়। এই খিনি কিন্তু মলিনৰ অজ্ঞাত, যেহেতু সি তেতিয়া থানাৰ আন্ধাৰ কোঠাত "লোৰ গড়ৰ ভিতৰত লতা বাঘ তুল্য।"

আন্ধাৰ কোঠাটোত বহি থাকোতে মলিনৰ মনলৈ নানান ভাবৰ জাউৰীবোৰ আহিবলৈ ধৰিলে। তাৰ মনত পৰিল বৃদ্ধা মাক জনীলৈ। তাৰ এই খবৰ শুনিলে মাক জনীৰ অৱস্থা কিযে নহব। আকৌ তাৰ মনত পৰিল ফতেমা জনীলৈ। গুলীৰ আঘাটত তাইৰে বা অৱস্থা হৈছে কি! তাইক নো পাইছিল কিহে বুকুত গুলী বৰণ কৰি তাক ৰক্ষা কৰিবলৈ? তাত তাইৰ স্বাৰ্থই বা কি থাকিব পাৰে? – সি হৈছে হিন্দু ব্ৰাহ্মণৰ লৰা; আৰু ফতেমা?— পুণৰ সি ভাবি থাকে। ফতেমাৰ বলবীৰ্য্য, অপৰিসীম সাহস দেখি সি তবধ মানে। লগে লগে তাৰ সেই ছোৱালীজনীৰ প্ৰতি এটা শ্ৰদ্ধা আৰু ভাল পোৱাৰ ভাব আহি পৰে। সি যদি এবাৰ ফতেমাক লগ পায়……।

* * * *

দিন বোৰ ক্ৰমে বাগৰি যায়। আৰু তাৰ লগে লগে এই পৰিৱৰ্ত্তনশীল জগততো অনেক পৰিৱৰ্ত্তনৰ সূচনা আহি পৰে। সমুদ্ৰৰ সোঁতত নানান ঠাইৰ পৰা জেং জাবৰ উটি আহি কোনো ঘাটত দুদিন মান জমাহৈ আকৌ আন ঘাটৰ ফালে উটি যোৱাৰ দৰেই সংসাৰ সমুদ্ৰতো কালৰ সোঁতত মানৱ সমাজৰ নানান পৰিৱৰ্ত্তনৰ সূচনা হৈয়েই থাকে।

দিনৰ পিচত ৰাতি আৰু ৰাতিৰ পিচত দিন অতিক্ৰম কৰি মাহ বছৰ পাৰ হৈ মলিনৰ আজি ছ বছৰত ভৰি দিলেহি। এই ছটা বছৰে মলিনে 'ৰাজদ্ৰোহী আৰু ৰাজ্যৰ শান্তি ভঙ্গকাৰী' অপৰাধত সশ্ৰম কাৰাদণ্ডেৰে দণ্ডিত হৈ জীৱনত ত্যক্ত মানিছে। তাৰ মনটো কেতিয়াবা বিদ্ৰোহী হৈ উঠে; কিন্তু সি অ-সহায় বন্দী তাৰ বন্ধুবান্ধৱলৈ, পৰিয়াললৈ আৰু সামাজিক ৰাজনৈতিক অৱস্থাবোৰৰ বিষয়ে জানিবলৈ প্ৰৱল হাবিয়াসৰ সৃষ্টি হয়; কিন্তু সকলো মনৰ আশা তাৰ মনতে মাৰ যায়। আজি ছবছৰৰ আগতে দেখি অহা নগৰৰ যুবক-যুৱতীহঁতৰ দেশৰ স্বাধীনতাৰ হকে কৰা আন্দোলনৰ ফলাফল জানিবলৈ, সেই ফতেমাজনী মৰিলেই নে জীয়াইয়েই আছে তাকো জানিবলৈ তাৰ মনটো উদ্বাউল হৈ উঠে। সি কাৰাদণ্ড বহন কৰিব নোৱাৰি কেতিয়াবা কৈ উঠে 'ফতেমা! তোক সিদিনা কিহে পাইছিল যে মোৰ আগত আহি হঠাৎ পৰি দিলিহি, নহলে যে বন্দুকৰ ধোৱাৰ লগতে মোৰ প্ৰাণ-পখী উৰি গৈ এই সকলো যন্ত্ৰণাৰ ওৰ পেলালেহেঁতেন।"

তাৰ সেই সমাজখন, জন-কোলাহল নগৰখন আৰু এবাৰ চাবলৈ তাৰ হাবিয়াস জন্মে। সি সেই কাৰাবাস বৰণ কৰিবলৈ আৰু ইচ্ছা নকৰিলে। সি তেতিয়াই ঠিক কৰিলে যে, সেই নিশাই সি তাৰ পৰা পলাই যায়।

সি তাকে কৰিলে। সেইদিনা আছিল আঁউসী। ৰাতি দুপৰ হলত সি প্ৰহৰীৰ চকুত ধূলি দি কাড়াগাৰৰ বাজ ওলাল। ওলাই আহিবৰ সময়ত প্ৰহৰীটোৱে নিতৌ কাষতে থৈদিয়া 'ডেগাৰ' খন বুটলি আনিবলৈ কোনে জানো তাক সুমতি দিলে?

পোনে পোনেই সি ওলাই আহিল বহল আলিবাটটোলৈ। "ইকি?" সি আচৰিত হৈ নিজকে নিজে কৈ উঠে। সি কি কাণ্ড বোৰ দেখিছে, সি নিজেই কব নোৱৰা হ'ল। তাৰ মনত হ'ল, যেন সি এখন মায়াৰাজ্যত আহি সোমাই পৰিলহি।

সি আন্ধাৰৰ আঁৰে আঁৰে আলিৰ দাঁতিত থকা খেজুৰ গছ কিজোপাৰ গুৰিৰ ছাঁত লুকাই লুকাই লাহে লাহে কিছুদূৰ আগ বাঢ়ে। সি ভয় আৰু বিচুৰ্ত্তিত কঁপি উঠে। সি দেখিলে কি?—সি সাক্ষাত দেখিবলৈ পালে—আন্ধাৰৰ আঁৰে আঁৰে মানুহ বিলাক ইফালে সিফালে ঘূৰি ফুৰিছে, প্ৰত্যেকৰ হাতত একোখনকৈ অস্ত্ৰ আৰু যেয়ে যাকে য'তে পাইছে তাকে ত'তে অস্ত্ৰেৰে আঘাট কৰি ধাৰা সায়ী কৰিছে। মানুহ বিলাক তেনেই মত্ত প্ৰায়। কিযে ঘোৰ হত্যাকাণ্ডই সিহঁতে আনি দিছে সেই শুৱনী জন-পূৰ্ণ নগৰ খনলৈ। যেনিয়ে-তেনিয়ে মানৱ দেহ বোৰ ধূলিৰে আৰু তেজেৰে লিপ্ত হৈ পৰি আছে। সেই বোৰ দেখি মলিনৰ গাৰ নোম শিয়ঁৰি উঠিল। সি কেনি যাওঁ কি কৰো হয়। সি ঘটনাৰ চাকনৈয়া বুজি উঠে।

এনেদৰে থাকোঁতেই হঠাৎ দুজনে আন্ধাৰৰ মাজৰ পৰা আহি তাক আক্ৰমণ কৰে। ইতিমধ্যে সি ভাবিবলৈ প্ৰয়াস পালে.—যে সি আজি মুক্ত—একে বাৰে মুক্ত নহলেও অন্ততঃ সেই নিশাৰ বাবে মুক্ত। সেই বাবে সি আজি ছবছৰৰ মূৰত অন্ততঃ ঘৰখন, মাক জনীক দেখা কৰিবই লাগিব। আৰু মনত পৰিল জানোছা ফতেমা জনী জীয়াই আছেই—তাইক অন্ততঃ সিদিনাৰ ঘটনাটোৰ পাচৰ পৰা বৰ্ত্তমানলৈকে—এই বুৰঞ্জী ডোখৰ সুধি চোৱা। তাৰ প্ৰাণলৈ মমতা জাগি উঠে। তেতিয়া সি অতি নিষ্ঠুৰ ভাৱে সেই আক্ৰমণ কাৰী কিজনক তাৰ হাতৰ 'চুৰিকা' খনেৰে প্ৰত্যোত্তৰ দিলে।

এইবাৰ তাৰ সাহ বাঢ়িল। সি এইবাৰ গছৰ আঁৰৰ পৰা বাটলৈ ওলাই আহিল। বাটৰ সকলো বাধা সি সেই চুৰিকা খনৰ সহায়তেই অতিক্ৰম কৰি আগুৱাই গ'ল।

গৈ থাকোঁতে হঠাৎ সি কাৰোবাক গছকি পালে। তাৰ গছকত পৰিথকা লোকজনে "উস্" কৰি উঠে। পৰিথকা লোকজনৰ মাত যাৰ কোনোবা স্ত্ৰীলোকৰ যেন অনুভৱ হ'ল। সি জুপি জুপি মুখ খন চায়, কিন্তু নেদেখে। তাৰ হাতত আজি দ্বীপ কাঠিৰ বাকচটোও নাই.—সি যে পলৰীয়া 'কয়েদী'—"এৰা সি

তাৰ সেই সমাজখন, জন-কোলাহল নগৰখন আৰু এবাৰ চাবলৈ তাৰ হাবিয়াস জন্মে। সি সেই কাৰাবাস বৰণ কৰিবলৈ আৰু ইচ্ছা নকৰিলে। সি তেতিয়াই ঠিক কৰিলে যে, সেই নিশাই সি তাৰ পৰা পলাই যায়।

সি তাকে কৰিলে। সেইদিনা আছিল আঁউসী। ৰাতি দুপৰ হলত সি প্ৰহৰীৰ চকুত ধূলি দি কাড়াগাৰৰ বাজ ওলাল। ওলাই আহিবৰ সময়ত প্ৰহৰীটোৱে নিতৌ কাষতে থৈদিয়া 'ডেগাৰ' খন বুটলি আনিবলৈ কোনে জানো তাক সুমতি দিলে?

পোনে পোনেই সি ওলাই আহিল বহল আলিবাটটোলৈ। "ইকি?" সি আচৰিত হৈ নিজকে নিজে কৈ উঠে। সি কি কাণ্ড বোৰ দেখিছে, সি নিজেই কব নোৱৰা হ'ল। তাৰ মনত হ'ল, যেন সি এখন মায়াৰাজ্যত আহি সোমাই পৰিলহি।

সি আন্ধাৰৰ আঁৰে আঁৰে আলিৰ দাঁতিত থকা খেজুৰ গছ কিজোপাৰ গুৰিৰ ছাঁত লুকাই লুকাই লাহে লাহে কিছুদূৰ আগ বাঢ়ে। সি ভয় আৰু বিচুৰ্ত্তিত কঁপি উঠে। সি দেখিলে কি?—সি সাক্ষাত দেখিবলৈ পালে—আন্ধাৰৰ আঁৰে আঁৰে মানুহ বিলাক ইফালে সিফালে ঘূৰি ফুৰিছে, প্ৰত্যেকৰ হাতত একোখনকৈ অস্ত্ৰ আৰু যেয়ে যাকে য'তে পাইছে তাকে ত'তে অস্ত্ৰেৰে আঘাট কৰি ধাৰা সায়ী কৰিছে। মানুহ বিলাক তেনেই মত্ত প্ৰায়। কিযে ঘোৰ হত্যাকাণ্ডই সিহঁতে আনি দিছে সেই শুৱনী জন-পূৰ্ণ নগৰ খনলৈ। যেনিয়ে-তেনিয়ে মানৱ দেহ বোৰ ধূলিৰে আৰু তেজেৰে লিপ্ত হৈ পৰি আছে। সেই বোৰ দেখি মলিনৰ গাৰ নোম শিয়ঁৰি উঠিল। সি কেনি যাওঁ কি কৰো হয়। সি ঘটনাৰ চাকনৈয়া বুজি উঠে।

এনেদৰে থাকোঁতেই হঠাৎ দুজনে আন্ধাৰৰ মাজৰ পৰা আহি তাক আক্ৰমণ কৰে। ইতিমধ্যে সি ভাবিবলৈ প্ৰয়াস পালে.—যে সি আজি মুক্ত—একে বাৰে মুক্ত নহলেও অন্ততঃ সেই নিশাৰ বাবে মুক্ত। সেই বাবে সি আজি ছবছৰৰ মূৰত অন্ততঃ ঘৰখন, মাক জনীক দেখা কৰিবই লাগিব। আৰু মনত পৰিল জানোছা ফতেমা জনী জীয়াই আছেই—তাইক অন্ততঃ সিদিনাৰ ঘটনাটোৰ পাচৰ পৰা বৰ্ত্তমানলৈকে—এই বুৰঞ্জী ডোখৰ সুধি চোৱা। তাৰ প্ৰাণলৈ মমতা জাগি উঠে। তেতিয়া সি অতি নিষ্ঠুৰ ভাৱে সেই আক্ৰমণ কাৰী কিজনক তাৰ হাতৰ 'চুৰিকা' খনেৰে প্ৰত্যোত্তৰ দিলে।

এইবাৰ তাৰ সাহ বাঢ়িল। সি এইবাৰ গছৰ আঁৰৰ পৰা বাটলৈ ওলাই আহিল। বাটৰ সকলো বাধা সি সেই চুৰিকা খনৰ সহায়তেই অতিক্ৰম কৰি আগুৱাই গ'ল।

গৈ থাকোঁতে হঠাৎ সি কাৰোবাক গছকি পালে। তাৰ গছকত পৰিথকা লোকজনে "উস্" কৰি উঠে। পৰিথকা লোকজনৰ মাত যাৰ কোনোবা স্ত্ৰীলোকৰ যেন অনুভৱ হ'ল। সি জুপি জুপি মুখ খন চায়, কিন্তু নেদেখে। তাৰ হাতত আজি দ্বীপ কাঠিৰ বাকচটোও নাই.—সি যে পলৰীয়া 'কয়েদী'—"এৰা সি

যে 'কয়েদী' তাক সি পাহৰিয়েই গৈছিল।" সি উপায় বিহীন হয়।

"আপুনি কোন?" মলিনে ভয়ে ভয়ে সোধে। "ভয়েই বা কোন?—আকৌ মোৰ মৃত্যুমুখী দেহৰ ওপৰত অত্যাচাৰ কৰিবলৈ আহিছ? "মোৰ কলিজা থকা সৰকাকৈ চুৰিৰে বিদাৰি তেজ পিহিলি, সিমানতো তঁহতি পিশাচ হঁত ক্ষান্ত নহলি।" অতি কষ্টে সেহাই সেহাই যদিও কঠোৰ ভাবে কথা কিটা তেওঁ কয়। মাত যাৰ যেন চিৰ পৰিচিত, মলিনৰ অনুমান হয়।

"নহয় আপুনি মোক ভুল নুবুজিব, মই বৰ্ত্তমান পলৰীয়া কয়েদী মলিন। মই পাৰো যদি আপোনাৰ উপকাৰত আহিব পাৰোনে?" —যদি মোক ভুল নুবুজি আপোনাৰ পৰিচয় দিলেহেঁতেন!"

"অ' আপুনি!" অতি আৱেগেৰে তেওঁ তাৰ হাত দুখন খামোচ মাৰি ধৰি কৈ উঠে। "মই ফতেমা, এই হত্যাকাণ্ড দমন কৰিবলৈ আহি চুৰিৰে ক্ষত-বিক্ষত হৈ মৃত্যুলৈ অপেক্ষা কৰি পৰি আছোঁ। মোৰ ভাই-ককাইবোৰো এই হত্যাকাণ্ডত মতলীয়া, সিহঁতক মই প্ৰবোধ মনাব নোৱাৰিলোঁ।" তেওঁ ভগা ভগা মাতেৰে কথা কিটা কৈ উঠিবলৈ চেষ্টা কৰি, পুনৰ ঢলি পৰে। "আপুনি ইয়াত আৰু এক মুহূৰ্ত্তও অপেক্ষা নকৰিব। ইয়াৰ পৰা যাওক নহলে—নহলে ........।" আৰু কব নোৱাৰা হৈ যায়।

"আপোনাৰ কি হব?" মলিনে সহানুভূতিৰ সুৰত কয়। "মোৰ যি হব লগা আছিল হৈ গ'ল আপুনি পাৰে যদি পলাই গৈ ভবিষ্যতে এই পিশাচ হঁতক মানুহ কৰিবলৈ চেষ্টা কৰিব।" ফতেমাই কয়।

"নহয় এই কথা হব নোৱাৰিব, আপোনাক মই এই শ্মশান ভূমিত এৰি যাব নোৱাৰিম।" উভয়ে খন্তেক নিমাতে ৰয়।

তেতিয়া পশ্চিম আকাশত 'পুৱতীয়া ভোটা তৰা' টো পাতল কলা ডাৱৰবোৰৰ মাজেদি উজ্জ্বল হৈ উঠিছিল তাৰ ক্ষীণ পোহৰত মলিনে ফতেমাৰ মুখখন ৰিনিকি ৰিনিকি দেখিবলৈ। ডাৱৰ এচপৰা আঁতৰি যোৱাত হে সি প্ৰায় সম্পূৰ্ণ ভাৱে ফতেমাৰ অৱয়ৱটো তাৰ চকুত পৰে। তেতিয়া সি দেখিবলৈ পালে,— ফতেমাৰ বুকুৰ পৰা তেজবোৰ বৈ গৈ গোটেই শৰীৰৰ আৱৰণ ৰঙা হৈ পৰিছে ফতেমাক সি চোওঁতে তাৰো হাত দুখন ৰঙা হৈ পৰিল। দেখি তাৰ মূৰ ঘূৰাই যাব খুজিলে। সি বৰ আৱেগেৰে ফতেমাৰ মূৰটো ডাঙি তাৰ কোলাত তুলি ললে।

তাৰ হঠাতে মানুহ জাতিটোৰ প্ৰতি ঘৃণা উপজিল আৰু সিঁহতৰ সেই পৈশাচিক নৃসংস কাৰ্য্য বোৰৰ বাবে সিহঁতৰ ওপৰত প্ৰতিহিংসাৰ দাবানল তাৰ বুকুখনত দপ্ দপ্ কৈ জ্বলি উঠে। সি বিমূঢ়হৈ বহি থাকে। এই দৰে বহি থাকোঁতেই কোনোবা এজনে পিচৰ পৰা আহি তাৰ পিঠিতে এখন 'ডেগাৰ' বহুৱাই দিয়ে। সি "উস্-উস ফতেমা...... " বুলি ঢলি পৰে। সি কবই নোৱাৰিলে যে ইয়াৰ এক মুহূৰ্ত্তৰ আগতে ফতেমাৰ প্ৰাণ পখী উৰি গৈছে। সি আৰু এবাৰ মা' বুলি উচ্চাৰণ

যে 'কয়েদী' তাক সি পাহৰিয়েই গৈছিল।" সি উপায় বিহীন হয়।

"আপুনি কোন?" মলিনে ভয়ে ভয়ে সোধে। "তয়েই বা কোন?—আকৌ মোৰ মৃত্যুমুখী দেহৰ ওপৰত অত্যাচাৰ কৰিবলৈ আহিছ? "মোৰ কলিজা থকা সৰকাকৈ চুৰিৰে বিদাৰি তেজ পিহিলি, সিমানতো তঁহতি পিশাচ হঁত ক্ষান্ত নহলি।" অতি কষ্টে সেহাই সেহাই যদিও কঠোৰ ভাবে কথা কিটা তেওঁ কয়। মাত যাৰ যেন চিৰ পৰিচিত, মলিনৰ অনুমান হয়।

"নহয় আপুনি মোক ভুল নুবুজিব, মই বৰ্ত্তমান পলৰীয়া কয়েদী মলিন। মই পাৰো যদি আপোনাৰ উপকাৰত আহিব পাৰোনে?" —যদি মোক ভুল নুবুজি আপোনাৰ পৰিচয় দিলেহেঁতেন!"

"অ' আপুনি!" অতি আৱেগেৰে তেওঁ তাৰ হাত দুখন খামোচ মাৰি ধৰি কৈ উঠে। "মই ফতেমা, এই হত্যাকাণ্ড দমন কৰিবলৈ আহি চুৰিৰে ক্ষত-বিক্ষত হৈ মৃত্যুলৈ অপেক্ষা কৰি পৰি আছোঁ। মোৰ ভাই-ককাইবোৰো এই হত্যাকাণ্ডত মতলীয়া, সিহঁতক মই প্ৰবোধ মনাব নোৱাৰিলোঁ।" তেওঁ ভগা ভগা মাতেৰে কথা কিটা কৈ উঠিবলৈ চেষ্টা কৰি, পুনৰ ঢলি পৰে। "আপুনি ইয়াত আৰু এক মুহূৰ্ত্তও অপেক্ষা নকৰিব। ইয়াৰ পৰা যাওক নহলে—নহলে ·······।" আৰু কব নোৱাৰা হৈ যায়।

"আপোনাৰ কি হব?" মলিনে সহানুভূতিৰ সুৰত কয়। "মোৰ যি হব লগা আছিল হৈ গ'ল আপুনি পাৰে যদি পলাই গৈ ভৱিষ্যতে এই পিশাচ হঁতক মানুহ কৰিবলৈ চেষ্টা কৰিব।" ফতেমাই কয়।

"নহয় এই কথা হব নোৱাৰিব, আপোনাক মই এই শ্মশান ভূমিত এৰি যাব নোৱাৰিম।" উভয়ে খন্তেক নিমাতে ৰয়।

তেতিয়া পশ্চিম আকাশত 'পুৱতীয়া ভোটা তৰা' টো পাতল কলা ডাৱৰবোৰৰ মাজেদি উজ্জ্বল হৈ উঠিছিল তাৰ ক্ষীণ পোহৰত মলিনে ফতেমাৰ মুখখন ৰিনিকি ৰিনিকি দেখিবলৈ। ডাৱৰ এচপৰা আঁতৰি যোৱাত হে সি প্ৰায় সম্পূৰ্ণ ভাৱে ফতেমাৰ অৱয়ৱটো তাৰ চকুত পৰে। তেতিয়া সি দেখিবলৈ পালে,— ফতেমাৰ বুকুৰ পৰা তেজবোৰ বৈ গৈ গোটেই শৰীৰৰ আৱৰণ ৰঙা হৈ পৰিছে ফতেমাক সি চোওঁতে তাৰো হাত দুখন ৰঙা হৈ পৰিল। দেখি তাৰ মূৰ ঘূৰাই যাব খুজিলে। সি বৰ আৱেগেৰে ফতেমাৰ মূৰটো ডাঙি তাৰ কোলাত তুলি ললে।

তাৰ হঠাতে মানুহ জাতিটোৰ প্ৰতি ঘৃণা উপজিল আৰু সিঁহতৰ সেই পৈশাচিক নৃসংস কাৰ্য্য বোৰৰ বাবে সিহঁতৰ ওপৰত প্ৰতিহিংসাৰ দাবানল তাৰ বুকুখনত দপ্ দপ্ কৈ জ্বলি উঠে। সি বিমূঢ়হৈ বহি থাকে। এই দৰে বহি থাকোঁতেই কোনোবা এজনে পিচৰ পৰা আহি তাৰ পিঠিতে এখন 'ডেগাৰ' বহুৱাই দিয়ে। সি "উস্-উস ফতেমা······ " বুলি ঢলি পৰে। সি কবই নোৱাৰিলে যে ইয়াৰ এক মুহূৰ্ত্তৰ আগতে ফতেমাৰ প্ৰাণ পখী উৰি গৈছে। সি আৰু এবাৰ মা' বুলি উচ্চাৰণ

কৰাৰ লগে লগে তাৰো প্ৰাণ-পখী বায়ু সমুদ্ৰলৈ উৰা মাৰিলে। সি ফতেমাক লগ পায়ো ছবছৰৰ আগৰ কথাখিনি সুধিবলৈ নহল! তাৰ মনৰ ভাব অসম্পূৰ্ণ, মনৰ কল্পনাবোৰ অসম্পূৰ্ণ হৈয়েই ৰ'ল। পোৱাৰ লগে লগে তাৰ তেজ বিহীন মুখখন শেঁতা পৰি 'মলীন' হৈ পৰিল।

——০——

# এখন চিঠি।

প্ৰেমলতা বৰুৱা
১ম বাৰ্ষিক কলা )

মোৰ এই সামান্য লিখনীত মোৰ জীৱন কাহিনী বৰ্ণনা কৰিবলৈ আগ বাঢ়িলো। মোৰ জীৱনত বিশেষ কোনো অভূতপূৰ্ব্ব ঘটনা ঘটা নাই যদিও সভ্য জগতৰ ৰীতি অনুযায়ী আত্মজীৱনী লিখাটো শ্ৰেয় বুলি অনুমান হয়। সৰ্ব্বসাধাৰণৰ জীৱনত সাধাৰণতে যিবিলাক ঘটনা ঘটা দেখা যায়, মোৰো জীৱন তেনে ধৰণৰ কিছুমান ঘটনাৱলীৰে সমষ্টি। বাৰু, মই এতিয়া মোৰ প্ৰকৃত বিষয় বস্তুলৈ আহোঁ।

মোৰ জন্ম সম্বন্ধে যদিও মোৰ ভালকৈ মনত নাই তথাপি আনৰ মুখে কোৱা শুনো যে মই দিল্লীৰ এক বিৰাট কাগজৰ কাৰখানাত জন্ম গ্ৰহণ কৰিছিলো। কেচুৱা কালত মই এজন বিখ্যাত ভাৰতীয় দেশপ্ৰেমিকৰ ঘৰত এখন সুন্দৰ ভাবে সজাই পৰাই থোৱা মেজত পৰি আছিলো সকলো ভাৰতীয়ৰে চিৰপৰিচিত এইজনা নেতাৰ নাম পণ্ডিত জৱহৰলাল নেহেৰু। সৰুতে মোৰ গাৰ বৰণ বৰ সুন্দৰ আছিল। মোৰ ওপৰৰ বস্তুতো ককাই ভাই আছিল। মই অলপ বুজন হোৱাৰ লগে লগে দেখিবলৈ পালো যে মোৰ ককাইদেউহঁত এজন এজনকৈ নোহোৱা হৈছে। ইয়াৰ কাৰণনো কি মই একোৱেই উপলব্ধি কৰিব পৰা নাছিলো। ভয় আৰু বেজাৰে মোৰ মন একেবাৰে অস্থিৰ কৰি তুলিছিল। মোৰ মনত ভয় লাগিছিল, কিজানিবা মোৰ অৱস্থাও ককাইদেউহঁতৰ দৰেই হয়! আৰু বেজাৰ লাগিছিল মৰমৰ ককাইদেউহঁতৰ আকস্মিক নিৰুদ্দেশৰ কথা ভাবি। এইদৰেই নানান চিন্তাৰ মাজত মোৰ কিছুদিন অতিবাহিত হল। হায় ভগবান! মই যিহলৈকে ইমানদিন ভয় কৰিছিলো, সেইটোৱেই দেখোন মোৰ ভাগ্যতো ঘটিবৰ উপক্ৰম হৈছে। মই ভয়ত থক্ থক্কৈ কঁপিবলৈ ধৰিলো দেখিলো, এটি শান্ত সৌম্য মূৰ্ত্তি আহি মোৰ ওচৰৰে এখন চকীত বহি পৰিল। ভালকৈ লক্ষ্য কৰি দেখিলো মানুহজন সাধাৰণ নহয়. দেবতুল্য ৰূপ, মহান গাম্ভীৰ্য্য, প্ৰকৃত এক অবৰ্ননীয় স্বৰ্গীয় দীপ্তি। তেওঁক দেখি মোৰ ভয় ভাব প্ৰায় দূৰ হল। সকলো বেজাৰৰ ভাব আঁতৰি পৰিল। মনতে ভাবিলো এনেহেন অতুলনীয় সৌন্দৰ্য্যৰ মাজত কেতিয়াও নিষ্ঠুৰতা থাকিব নোৱাৰে। আৰু যদিস্যাত মোৰ এইজনা

মহাপুৰুষৰ হাতত মৃত্যু হয়, তেন্তে স্বৰ্গ প্ৰাপ্তিহে হব। মই নিৰ্ভয় চিত্তে বুকু পাতি ৰলো। কিন্তু শেষত দেখিলো ভয়ৰ কাৰণ বুলিবলৈ একোৱেই নায়। তেখেতে লাহেকৈ মোক ওচৰলৈ টানি নিলে। সেই পৰশত মই কিযে এক অনিৰ্বচনীয় স্বৰ্গীয় আনন্দ অনুভৱ কৰিছিলো তাক এই ক্ষুদ্ৰ লিখনীৰে প্ৰকাশ কৰিব নোৱাৰি। মানুহজনে হাতত কাপটো তুলিলৈ মোৰ ধুনীয়া গাটোত কিবা কিবিবোৰ ইশাৰীৰ পাছত সিশাৰীকৈ আঁকি যাবলৈ ধৰিলে। মোৰ গাটো অসম্ভৱৰূপে পিৰপিৰা-বলৈ ধৰিলে। মই তেওঁৰ কাৰ্য্যকলাপ দেখি আচৰিত মানিলো। বৰ খং উঠিবলৈ ধৰিলে। ভাবিলো মোৰ সুন্দৰ ৰূপ দেখি এওঁৰ হিংসা লাগিছে, মানুহজন বৰ ঈৰ্ষাপৰায়ণ যেন লাগিল। তেওঁ মোৰ সুন্দৰ গাটোত কলা ৰংবোৰ সানি একেবাৰে কুৰূচ কৰি পেলালে। প্ৰতিশোধ লবৰ ইচ্ছা হল, কিন্তু সেই শক্তি মোৰ তেতিয়া একেবাৰেই নাছিল। মই নিৰবে মানুহজনৰ স্বেচ্ছাকৃত অত্যাচাৰ সহি যাবলৈ ধৰিলো। মোৰ কুৰূচ শৰীৰটো দেখি বেজাৰত দুধাৰি তপত চকুলো বৈ গল। কিন্তু হায়, নিস্তাৰৰ যে একো উপায় নায়, লাহে লাহে তেওঁৰ কাম শেষ হল। মোক আইৰ বুকুৰ পৰা আঁজুৰি টানি আনিলে। বেজাৰত মোৰ চেতনা হেৰাল। লাহে লাহে তেওঁ মোক কেইটামান ভাঁজ দিলে। মই বৰ কষ্ট অনু-ভৱ কৰিলো। গোটেই দেহৰ হাড়বিলাক ভাগি চুৰমাৰ হোৱা যেন লাগিল। কোনো-মতে মাত্ৰ প্ৰাণটোহে বাচিল। ইয়াৰ পাছত তেওঁ মোক, মোৰ গাটোতকৈ অলপ ডাঙৰ এটা খাম উলিয়াই তাৰ মাজলৈ ঠেলি সুমুৱাই দিলে। খামটোৰ মুখখন গম আঠা লগাই বন্ধ কৰি দিলে। মোৰ উশাহ নিশাহ একে-বাৰে বন্ধ হৈ যোৱা যেন লাগিল। ভাগ্যে খামটোৰ একোনত এটা বিন্ধা বৈ গল, মই কোনোমতে উশাহ নিশাহ লব পৰা হলো। ইয়াৰ পাছত মোৰ গৰাকীয়ে মই থকা খামৰ ওপৰত আকৌ কিবাকিবি অলপমান আঁকিলে। মোৰ ভয় হল আৰু ভাবিলো মোৰ দুৰবস্থাৰ এয়ে শেষ নহয়। অলপ সময় অতিবাহিত হোৱাৰ পাছত তেখেতে মোক খপ্ কৈ তুলি লৈ খদ্দৰৰ দীঘল চোলাটোৰ ওপৰ জেপত ভৰাই ললে। মোৰ গৰাকীয়ে মোকলৈ কোঠাটোৰ পৰা ওলাই আহিল। ওচৰতে এটা ডাঙৰ পকাঘৰ আছিল। এই ঘৰটোৰ সন্মুখতে এটা ৰঙাৰঙৰ সৰু ঘৰ আছিল। এই ঘৰটোৰ দুৱাৰখন আছিল বহুত ওপৰত, তেখেতে মোক লাহেকৈ এই দুৱাৰখনেদি ভিতৰলৈ ঠেলি দিলে। মই গৈ ঘৰটোৰ তলৰ মজিয়াত পৰিলোগৈ। বৰ দুখ পালো। বহুত পৰৰ মূৰত চেতনা পাই চাৰিওফালে চালো। আন্ধাৰত একোকে নেদেখি ওপৰৰ দুৱাৰখনেদি অতি সামান্য পোহৰহে ভিতৰলৈ আহিব পাৰিছিল। অলপ সময়ৰ পাছত দেখিলো মোৰেই নিচিনা বহুতো দুৰ্ভগীয়াই এই আন্ধাৰ কোঠৰীটোৰ মাজত পৰি কেকাব লাগিছে। কোনো কোনোৱে আকৌ নিজৰ ভিতৰতে সুখ দুখৰ কথা পাতিছে, মই তললৈ মুখ কৰি সকলো কথা শুনি যাবলৈ ধৰিলো।

এইদৰে আমি প্ৰায় ১ ঘন্টামান পৰি থাকিলো। ইয়াৰ পাছত বাহিৰত কাৰোবাৰ জোতাৰ শব্দ শুনিবলৈ পালো। লাহে লাহে সেই আগতজনে আহি আমি থকা ঘৰৰ তলা খুলি কাষৰ দুৱাৰ এখন মেলি দিলে। মানুহজনে পৰিধান কৰিছিল খাকি ৰঙৰ কামিজ-পেণ্ট। ডিঙিৰ পৰা কঁকাললৈকে ওলমা ডাঠ ফিটাৰে বন্ধা এটা খাকি ৰঙৰ মোনা ওলমাই লৈছিল। তেওঁ আমাক ঘৰটোৰ পৰা ওপৰা ওপৰিকৈ উলিয়াই আনি ওলমি থকা মোনাটোত সুমুৱাই ললে। ততাতৈয়াকৈ তেওঁ আমাক লৈ ডাঙৰ ঘৰটোৰ সন্মুখৰ এটা কোঠাত প্ৰবেশ কৰিলে। আন এজন মানুহে আমাক মোনাৰ পৰা উলিয়াই নি বাচিবলৈ ধৰিলে। মোৰ লগৰ বন্ধু কেইজনৰ দুজনমানেহে মোৰ লগত থাকিল। এইদৰে আমাক ভাগ ভাগ কৰি শেষ হোৱাৰ পাছত মানুহ এটাই এটা চাব আনি আমাৰ প্ৰত্যেকৰে গাত বহুৱাই দিলে। মই বৰ কষ্ট পাবলৈ ধৰিলো। মোৰ নিচিনাকৈয়ে পীড়িত বন্ধু-সকলৰ বেজাৰৰ হা-হুমুনিয়াই সেই কোঠাটোৰ বতাহটো এটা বেজাৰৰ ঢৌ তুলিছিল। মই কিন্তু তেওঁলোকৰ দৰে সিমান হতাশ হোৱা নাছিলো আশাৰ ক্ষীণ পোহৰ তেতিয়াও মোৰ চকুৰ আগত জিলিকি আছিল। মই ভাবিলো শীতকালৰ পাছত যেনেকৈ বসন্ত-কাল আহি জৰাজীৰ্ণ প্ৰকৃতিৰ সুপ্ত সৌন্দৰ্য্যক জগাই তোলে, সেইদৰে আমাৰ দুখ-কষ্টৰো এদিন নহয় এদিন ওৰ পৰিবই। এইদৰে নানা কথা ভাবি থাকোতে কেইটামান মানুহ আহি আমাক ভাগে ভাগে কেইটামান থৈলাত ভৰাই ওপৰত পুনৰ চাব মাৰি দিলে। ইমান বিলাকক একেলগে ভৰাই দিয়াৰ কাৰণে অসম্ভৱ গৰম লাগিবলৈ ধৰিলে। কিন্তু সোনকালে আমাৰ কষ্ট অলপ উপশম হল। আমাক এখন ঠেলা গাড়ীত তুলি দুজন মানুহে ষ্টেচনলৈ লৈ গল। ৰেল আহি ষ্টেচন পোৱাত আমি সকলোটি গাড়ীত উঠিলোগৈ। লাহে লাহে গাড়ী চলিবলৈ আৰম্ভ কৰিলে। ইয়াৰ আগেয়ে মই কেতিয়াও ৰেলগাড়ীত উঠা নাছিলো। উঠি বৰ ভাল লাগিল। মোৰ বন্ধু-সকলৰ না না আমোদজনক কথাত ময়ো যোগ দিলো, গাড়ীখনে বহুতো ষ্টেচন পাৰ হৈ গল। প্ৰায় ৫ দিনমান সাল-সলনিকৈ আমি কেইবা-খনো গাড়ীত যোৱাৰ পাছত আমাৰ গন্তব্য স্থান পালোগৈ। মোক আৰু মোৰ বন্ধু-সকলক কেইজনমান মানুহে আগবঢ়াই নিলেহি এইখন নগৰ আছিল বৰ ডাঙৰ, নামটো মোৰ ভালকৈ মনত নাই। মানুহ কেইজনে আমাক এটা ডাঙৰ পকিঘৰলৈ লৈ গল। আমাৰ কাৰণে ইমান বিলাক আয়োজন দেখি মনতে ভালেখিনি গৌৰব অনুভব কৰিলো ঘৰটোত নি আমাক চাব মৰা থৈলাটোৰ পৰা উলিয়াই কেইবা শাৰীটো বিভক্ত কৰি আকৌ একোটা কলা ঘূৰণীয়া চাব দিলে। বাৰে বাৰে একে ধৰণৰ নিৰ্য্যাতন সহিব লগিয়া হোৱাত মোৰ খঙে মূৰৰ চুলি পাইছিলগৈ। কোনোমতে খং দমালো। ইয়াৰ পাছত আমাৰ বন্ধু সকলক আৰু আমি থকা দলটোক কিছুমান মানুহ আহি আগেয়ে উল্লেখ কৰাৰ

নিচিনা দীঘল ফিটা লগোৱা মোণা কিছুমানত ভৰাই ললে। ইয়াৰ পাছত আমাক লৈ যোৱা মানুহটোৱে এখন চাইকেলত উঠি ঘৰে ঘৰে মোৰ বন্ধুসকলক নমাই যাবলৈ ধৰিলে। কেইজনমান বন্ধুৰ বিদায়ৰ পাছত মোৰ পাল পৰিল। মই চাইকেল আৰোহীজনৰ লগত যাবলৈ ধৰিলো। অলপ দূৰ যোৱাৰ পাছত মানুহটো নামিল। সি মোক যিঘৰ মানুহৰ ওচৰলৈ নিছিল তেওঁলোক আছিল ধনী মানুহ। প্ৰকাণ্ড অট্টালিকাপ্ৰায় ঘৰ, সন্মুখত আহল বহল ফুলনি বাৰী, ঘৰটো দেখি মোৰ মন আনন্দেৰে পৰিপূৰ্ণ হল। মোক নিয়া মানুহজনক দেখি এটি ৩ বছৰীয়া লৰাই দৌৰি গৈ ভিতৰত কাৰোবাক খবৰ দিলেগৈ। অলপ সময়ৰ পাছত দীঘলীয়া, বগা মুখেৰে এগৰাকী সুন্দৰী মহিলা ঘৰটোৰ পৰা ওলাই আহিল। পৰিধানত আছিল তেওঁৰ বগা খদৰৰ এখন শাৰী, মানুহ গৰাকী দেখি মোৰ অলপ পৰিচিত যেন লাগিল। অ' এওঁৰ চেহেৰাৰ দেখোন মোৰ গাত অকাঁ মানুহজনৰ লগত ভালেখিনি সাদৃশ্য আছে; নিশ্চয় এওঁ তেখেতৰ কিবা এটা হয়। মানুহটোৰ হাতৰ পৰা মোক তেওঁ আথেবেথে তুলি ললে। মোৰ খামটোৰ ওপৰত আঁকাখিনি পঢ়ি চাই তেওঁ মোক ভিতৰলৈ লৈ গল। তেওঁৰ অকনমান পুতেকটিও আমাৰ পিছে পিছে যাবলৈ ধৰিলে। তেওঁ মোক এটা পৰিপাতিকৈ সজোৱা সুন্দৰ কোঠালৈ লৈ গল। তাত দেখিলো আৰামী চকী এখনত বহি এজন সুবেশ পুৰুষে এখন বাতৰি কাকতলৈ পঢ়ি আছে। অকনমান পোণাটিয়ে দৌৰিগৈ মানুহজনৰ কোলাত সোমাই ইটো সিটো প্ৰশ্ন কৰিবলৈ ধৰিলে। লৰাটিৰ মাকক দেখি মানুহজনে সুধিলে, "ইন্দিৰা, সেইটো কি পালা? চিঠিনেকি?" মই তেতিয়া বুজিলো মোক লৈ যোৱা মানুহগৰাকীৰ নাম ইন্দিৰা। তেওঁ মিচিকিয়া হাঁহিৰে উত্তৰ দিলে, "এৰা চিঠি, দেউতাৰ পৰা আহিছে।" তেতিয়া মই বুজিলো মোৰ নাম চিঠি। কথাটো শুনি তেওঁ বহাৰ পৰা ঘপহকৈ উঠি ইন্দিৰাৰ হাতৰ পৰা মোক আদৰেৰে তেওঁৰ হাতলৈ নি মোৰ গাৰ খামটো ফালি পেলালে। তাৰ পাছত তেওঁ মোক তাৰ পৰা উলিয়াই আনি ডাঙৰ ডাঙৰ কৈ মোৰ গাৰ কলা ডাগবোৰ পঢ়ি যাবলৈ ধৰিলে। ইন্দিৰাই একান্ত মনেৰে কথাবিলাক শুনি গল। পঢ়া শেষ হোৱাত তেওঁ কলে, "ফিৰোজ, তেন্তে দেউতা এতিয়াও শ্ৰীনগৰতেই আছে?" ফিৰোজে মূৰ জোকাৰি কলে, এৰা, তেখেত এতিয়াও তাতেই আছে। বোধকৰো অতি সোনকালে তেখেত দিল্লীলৈ যাব। এই চিঠিখন বৰ ভালকৈ থবা। ইয়াত বহুতো দৰকাৰী কথা আছে। ইন্দিৰাই 'বাৰু' বুলি শলাগি মোক তেওঁৰ হাতৰ পৰা লৈ এটা চুমা খালে। তেওঁ সেইটো কোঠাৰ পৰা ওলাই আন এটাত সোমালগৈ, তাত থকা এটা ধুনীয়া বাকচ খুলি ভিতৰৰ পৰা এটা সোনোৱালী ৰঙৰ ডাঙৰ খাম উলিয়াই আনিলে। খামটো এডাল নীলা চিল্কৰ ফিটাৰে বন্ধা। মই দেখিলো তাত মোৰেই নিচিনা আৰু কিছুমান চিঠি আছে। মই তেওঁলোকক দেখি তৎক্ষণাৎ

নিচিনা দীঘল ফিটা লগোৱা মোণা কিছুমানত ভৰাই ললে। ইয়াৰ পাছত আমাক লৈ যোৱা মানুহটোৱে এখন চাইকেলত উঠি ঘৰে ঘৰে মোৰ বন্ধুসকলক নমাই যাবলৈ ধৰিলে। কেইজনমান বন্ধুৰ বিদায়ৰ পাছত মোৰ পাল পৰিল। মই চাইকেল আৰোহীজনৰ লগত যাবলৈ ধৰিলো। অলপ দূৰ যোৱাৰ পাছত মানুহটো নামিল। সি মোক যিঘৰ মানুহৰ ওচৰলৈ নিছিল তেওঁলোক আছিল ধনী মানুহ। প্ৰকাণ্ড অট্টালিকাপ্ৰায় ঘৰ, সন্মুখত আহল বহল ফুলনি বাৰী, ঘৰটো দেখি মোৰ মন আনন্দেৰে পৰিপূৰ্ণ হল। মোক নিয়া মানুহজনক দেখি এটি ৩ বছৰীয়া লৰাই দৌৰি গৈ ভিতৰত কাৰোবাক খবৰ দিলেগৈ। অলপ সময়ৰ পাছত দীঘলীয়া, বগা মুখেৰে এগৰাকী সুন্দৰী মহিলা ঘৰটোৰ পৰা ওলাই আহিল। পৰিধানত আছিল তেওঁৰ বগা খদৰৰ এখন শাৰী, মানুহ গৰাকী দেখি মোৰ অলপ পৰিচিত যেন লাগিল। অ' এওঁৰ চেহেৰাৰ দেখোন মোৰ গাত অকাঁ মানুহজনৰ লগত ভালেখিনি সাদৃশ্য আছে ; নিশ্চয় এওঁ তেখেতৰ কিবা এটা হয়। মানুহটোৰ হাতৰ পৰা মোক তেওঁ আথেবেথে তুলি ললে। মোৰ খামটোৰ ওপৰত আঁকাখিনি পঢ়ি চাই তেওঁ মোক ভিতৰলৈ লৈ গল। তেওঁৰ অকনমান পুতেকটিও আমাৰ পিছে পিছে যাবলৈ ধৰিলে। তেওঁ মোক এটা পৰিপাতিকৈ সজোৱা সুন্দৰ কোঠালৈ লৈ গল। তাত দেখিলো আৰামী চকী এখনত বহি এজন সুবেশ পুৰুষে এখন বাতৰি কাকতলৈ পঢ়ি আছে। অকনমান পোণাটিয়ে দৌৰিগৈ মানুহজনৰ কোলাত সোমাই ইটো সিটো প্ৰশ্ন কৰিবলৈ ধৰিলে। লৰাটিৰ মাকক দেখি মানুহজনে সুধিলে, "ইন্দিৰা, সেইটো কি পালা ? চিঠিনেকি ?" মই তেতিয়া বুজিলো মোক লৈ যোৱা মানুহগৰাকীৰ নাম ইন্দিৰা। তেওঁ মিচিকিয়া হাঁহিৰে উত্তৰ দিলে, "এৰা চিঠি, দেউতাৰ পৰা আহিছে।" তেতিয়া মই বুজিলো মোৰ নাম চিঠি। কথাটো শুনি তেওঁ বহাৰ পৰা ঘপহকৈ উঠি ইন্দিৰাৰ হাতৰ পৰা মোক আদৰেৰে তেওঁৰ হাতলৈ নি মোৰ গাৰ খামটো ফালি পেলালে। তাৰ পাছত তেওঁ মোক তাৰ পৰা উলিয়াই আনি ডাঙৰ ডাঙৰ কৈ মোৰ গাৰ কলা ডাগবোৰ পঢ়ি যাবলৈ ধৰিলে। ইন্দিৰাই একান্ত মনেৰে কথাবিলাক শুনি গল। পঢ়া শেষ হোৱাত তেওঁ কলে, "ফিৰোজ, তেন্তে দেউতা এতিয়াও শ্ৰীনগৰতেই আছে ?" ফিৰোজে মূৰ জোকাৰি কলে, এৰা, তেখেত এতিয়াও তাতেই আছে। বোধকৰো অতি সোনকালে তেখেত দিল্লীলৈ যাব। এই চিঠিখন বৰ ভালকৈ থবা। ইয়াত বহুতো দৰকাৰী কথা আছে। ইন্দিৰাই 'বাৰু' বুলি শলাগি মোক তেওঁৰ হাতৰ পৰা লৈ এটা চুমা খালে। তেওঁ সেইটো কোঠাৰ পৰা ওলাই আন এটাত সোমালগৈ, তাত থকা এটা ধুনীয়া বাকচ খুলি ভিতৰৰ পৰা এটা সোনোৱালী ৰঙৰ ডাঙৰ খাম উলিয়াই আনিলে। খামটো এডাল নীলা চিল্কৰ ফিটাৰে বন্ধা। মই দেখিলো তাত মোৰেই নিচিনা আৰু কিছুমান চিঠি আছে। মই তেওঁলোকক দেখি তৎক্ষণা

নিচিনা দীঘল ফিটা লগোৱা মোণা কিছুমানত ভৰাই ললে। ইয়াৰ পাছত আমাক লৈ যোৱা মানুহটোৱে এখন চাইকেলত উঠি ঘৰে ঘৰে মোৰ বন্ধুসকলক নমাই যাবলৈ ধৰিলে। কেইজনমান বন্ধুৰ বিদায়ৰ পাছত মোৰ পাল পৰিল। মই চাইকেল আৰোহীজনৰ লগত যাবলৈ ধৰিলো। অলপ দূৰ যোৱাৰ পাছত মানুহটো নামিল। সি মোক যিঘৰ মানুহৰ ওচৰলৈ নিছিল তেওঁলোক আছিল ধনী মানুহ। প্ৰকাণ্ড অট্টালিকাপ্ৰায় ঘৰ, সন্মুখত আহল বহল ফুলনি বাৰী, ঘৰটো দেখি মোৰ মন আনন্দেৰে পৰিপূৰ্ণ হল। মোক নিয়া মানুহজনক দেখি এটি ৩ বছৰীয়া লৰাই দৌৰি গৈ ভিতৰত কাৰোবাক খবৰ দিলেগৈ। অলপ সময়ৰ পাছত দীঘলীয়া, বগা মুখেৰে এগৰাকী সুন্দৰী মহিলা ঘৰটোৰ পৰা ওলাই আহিল। পৰিধানত আছিল তেওঁৰ বগা খদৰৰ এখন শাৰী, মানুহ গৰাকী দেখি মোৰ অলপ পৰিচিত যেন লাগিল। অ' এওঁৰ চেহেৰাৰ দেখোন মোৰ গাত অকাঁ মানুহজনৰ লগত ভালেখিনি সাদৃশ্য আছে; নিশ্চয় এওঁ তেখেতৰ কিবা এটা হয়। মানুহটোৰ হাতৰ পৰা মোক তেওঁ আথেবেথে তুলি ললে। মোৰ খামটোৰ ওপৰত অঁকাখিনি পঢ়ি চাই তেওঁ মোক ভিতৰলৈ লৈ গল। তেওঁৰ অকনমান পুতেকটিও আমাৰ পিছে পিছে যাবলৈ ধৰিলে। তেওঁ মোক এটা পৰিপাতিকৈ সজোৱা সুন্দৰ কোঠালৈ লৈ গল। তাত দেখিলো আৰামী চকী এখনত বহি এজন সুবেশ পুৰুষে এখন বাতৰি কাকতলৈ পঢ়ি আছে। অকনমান পোণাটিয়ে দৌৰিগৈ মানুহজনৰ কোলাত সোমাই ইটো সিটো প্ৰশ্ন কৰিবলৈ ধৰিলে। লৰাটিৰ মাকক দেখি মানুহজনে সুধিলে, "ইন্দিৰা, সেইটো কি পালা? চিঠিনেকি?" মই তেতিয়া বুজিলো মোক লৈ যোৱা মানুহগৰাকীৰ নাম ইন্দিৰা। তেওঁ মিচিকিয়া হাঁহিৰে উত্তৰ দিলে, "এৰা চিঠি, দেউতাৰ পৰা আহিছে।" তেতিয়া মই বুজিলো মোৰ নাম চিঠি। কথাটো শুনি তেওঁ বহাৰ পৰা ঘপহকৈ উঠি ইন্দিৰাৰ হাতৰ পৰা মোক আদৰেৰে তেওঁৰ হাতলৈ নি মোৰ গাৰ খামটো ফালি পেলালে। তাৰ পাছত তেওঁ মোক তাৰ পৰা উলিয়াই আনি ডাঙৰ ডাঙৰ কৈ মোৰ গাৰ কলা ডাগবোৰ পঢ়ি যাবলৈ ধৰিলে। ইন্দিৰাই একান্ত মনেৰে কথাবিলাক শুনি গল। পঢ়া শেষ হোৱাত তেওঁ কলে, "ফিৰোজ, তেন্তে দেউতা এতিয়াও শ্ৰীনগৰতেই আছে?" ফিৰোজে মূৰ জোকাৰি কলে, এৰা, তেখেত এতিয়াও তাতেই আছে। বোধকৰো অতি সোনকালে তেখেত দিল্লীলৈ যাব। এই চিঠিখন বৰ ভালকৈ থবা। ইয়াত বহুতো দৰকাৰী কথা আছে। ইন্দিৰাই 'বাক' বুলি শলাগি মোক তেওঁৰ হাতৰ পৰা লৈ এটা চুমা খালে। তেওঁ সেইটো কোঠাৰ পৰা ওলাই আন এটাত সোমালগৈ, তাত থকা এটা ধুনীয়া বাকচ খুলি ভিতৰৰ পৰা এটা সোনোৱালী ৰঙৰ ডাঙৰ খাম উলিয়াই আনিলে। খামটো এডাল নীলা চিল্কৰ ফিটাৰে বন্ধা। মই দেখিলো তাত মোৰেই নিচিনা আৰু কিছুমান চিঠি আছে। মই তেওঁলোকক দেখি তৎক্ষণাৎ

চিনিব পাৰিলো কাৰণ তেওঁলোকেই আছিল মোৰ নিৰ্দ্দিষ্ট ভাই-ককাইহঁত। ইন্দিৰাই কোমল লাহি হাতেৰে মোক সোনোৱালী খামটোৰ মাজত সুমুৱাই থলে। মই এতিয়াহে বুজিলো, মোৰ জীৱন দুখৰ নহয়, যি কলা ডাগৰোৰক মই এদিন সুন্দৰ গাত কলঙ্ক বুলিহে ভাবিছিলো, সেইবিলাকেই আজি মোক ইমানখিনি সন্মানৰ অধিকাৰী কৰিলে। হয়তো মই নিষ্কলঙ্ক হৈ থকা হলে এইখিনি সন্মান কেতিয়াও নেপালোহেঁতেন। মোৰ নিচিনা সৰ্ব্বসাধাৰণ চিঠিৰ জীৱনতকৈ মোৰ জীৱন বহুতো ওখ খাপৰ বুলি ভাবি মই গৌৰব অনুভব কৰিলো। মোৰ কষ্টৰ ওৰ পৰিল বুলি জানি স্বস্তিৰ নিশ্বাস পেলালো। ভগবানে মোৰ প্ৰাৰ্থনা মঞ্জুৰ কৰা দেখি মনে মনে সেই মহিমাময় ভগবানৰ শলাগ ললো। এইদৰে নানা কথা ভাবি থাকোতে ইন্দিৰা গান্ধীয়ে মোক বাকচটোৰ মাজত সুমুৱাই লৈ কোঠাটোৰ পৰা ওলাই গল। যদিও মই এনে আবদ্ধতা ভাল পোৱা নাছিলো, তথাপি আত্মীয় স্বজনৰ লগত থাকি আগতকৈ বহুতো সুখ অনুভব কৰিলো। এতিয়াও মই তেওঁৰ ঘৰতেই আদৰৰ মাজত আছো হয়তো মোৰ কাৰণে আৰু এক গৌৰবময় দিন আহিব, যি দিনা মই প্ৰত্যেকজন ভাৰতীয় লোকৰ ঘৰতে সমানে আদৰ পাম।

---

## — কুলি —

নবীণ শৰ্ম্মা বৰদলৈ
১ম বাঃ (কলা)

কোনে আহি ভাঙিলেহি পুৱতী নিশাতে মোৰ
তন্দ্ৰামগ্ন পৰাণৰ সোনালী সপোন
দুখৰ পঁজাত গঢ়া সুখৰ জিৰণী ফেৰা
কাঢ়িনিলে আঁতৰাই নিশাৰ দাপোন ?
বুজিছো, নিঠুৰ বিহগী তই, বিনা অপৰাধে মোক
চিঞৰি বাখৰি কিয় কৰিলি উন্মাদ
অভিশপ্ত জীৱনৰ ঘাতে প্ৰতিঘাতে ভৰা
কাহিনীত তুলি এটি নতুন প্ৰবাদ।
জাননেকি বাৰুতই মোৰ সেই ইতিহাস
কলিতেই জয়পৰা আকাশ কুসুম
পুৱাতেই অস্তযোৱা অভাগাৰ ভাগ্যৰবি
মধ্যাহ্নত নিৰ্ব্বাপিত উজ্জ্বল ৰক্তিম।

ব্যৰ্থ, বিহগী, বুজিছো সৰগৰ শান্তিয়ণী
আনিছ কণ্ঠত তোৰ সানি সযতনে
মৰুময় সংসাৰৰ লক্ষ্যহীন পথিকৰ
দিবলৈ প্ৰাণত ঢালি, বিনা আৱাহনে !
উঠিছে আশাৰ ঢউ বাজিছে মায়াৰ বীণ
আধাফুটা, আধাভগা তোৰেই সুৰত
সঁচায় ভাহিছে তাত প্ৰণয়ৰ প্ৰতিছবি
আশাৰ মদিৰা ঢালি বিৰহী বুকুত !
দেৱী তই সৰগৰ অতিযে কৰ্ত্তব্য নিষ্ঠা
পক্ষীৰূপে উৰিফুৰি কৰিছ পালন
আপোন কৰ্ত্তব্য তোৰ বিধিয়ে সৰজি দিয়া
ধন্য পক্ষী, ধন্যতোৰ বিহগী জীৱন।

কিন্তু !! আছে জানো শক্তি তোৰ পাৰিবি গঢ়িব তই
ৰূপালী দেউল তাৰ হৃদয় কক্ষত,
ৰুদ্ধ হ'ল জ্ঞান যাৰ অশান্তিৰ নিষ্পেষণে
পাথৰৰে গঢ়ি এক সৰসী বুকত।

নোৱাৰ কৰিব সৃষ্টি নকৰ মিছাতে চেষ্টা
বসন্তৰ পুষ্প বৃষ্টি প্ৰথম গ্ৰীষ্মত.
অনৰ্থক চেষ্টা তোৰ. পুণৰায় উৰি গুছি
যা, লৈযা লগতে সেই বাস্তৱ কণ্ঠত।

---

# ডিব্রুগড় কলেজৰ বছেৰেকীয়া সঙ্গীত সন্মিলণৰ সভাপতিৰ অভিভাষণ।

৩০-৪-৪৮

শ্ৰীযুত জ্যোতি প্ৰসাদ আগৰৱালা।

মৰমৰ ছাত্ৰ-ছাত্ৰীসকল আৰু সুধী সমাজ—

আজিৰ সন্মিলনলৈ দিয়া নিমন্ত্ৰণৰ বাবে আপোনাসকলৰ শলাগ লৈছোঁ। মানৱ সংস্কৃতিৰ শ্ৰেষ্ঠ সম্পদ সুকুমাৰ কলাৰ বিষয়ে বহলকৈ আপোনালোকক নকলেও হব। আমাৰ জীৱনত সংস্কৃতিৰ কি মূল্য, সুকুমাৰ কলাৰ কি স্থান—আদি যুগৰে পৰা সুকুমাৰ কলাই মানুহৰ সাংস্কৃতিক প্ৰগতিত কি সহায় কৰিছে আৰু মানুহৰ দিনটিয়া জীৱন সুন্দৰ কৰিবলৈ মধুৰ কৰিবলৈ—সুকুমাৰ কলাৰ কি দান, তাক আপোনাসকলে জানেই। তথাপিও সংস্কৃতি আৰু সুকুমাৰ কলাৰ বিষয়ে মোৰ মনত খেলোৱা দুই এটা কথা বোধ কৰো কলে আপোনাসকলে আমনি নাপাই।

সাধাৰণতে আজি কালি সংস্কৃতি বুলিলে সুকুমাৰ কলাকেই বুজে। কিন্তু অকল সুকুমাৰ কলাই মানুহৰ সংস্কৃতি নহয় আৰু অকল সুকুমাৰ কলা সাহিত্য ইত্যাদিয়েই সংস্কৃতি নহয়। এইবোৰ মানৱ সংস্কৃতিৰ এভাগহে মাথোন। মানৱ সংস্কৃতিৰ আনটো ভাগ হৈছে মানুহৰ স্বভাৱত সৌন্দৰ্য্যৰ প্ৰয়োগ। আৰু এই স্বভাৱৰ সৌন্দৰ্য্য প্ৰকাশ পাই মানুহৰ—মানুহৰ প্ৰতি ব্যৱহাৰত,—মানুহৰ মানুহৰ সৈতে সমন্ধত, মানুহৰ প্ৰাণী জগতৰ প্ৰতি হোৱা দৃষ্টিত। এটা ব্যক্তিৰ বা এটা জাতিৰ যদি এটা ভাগৰ উৎকৰ্ষ থাকি আন ভাগটোৰ নাথাকে তেন্তে সি পূৰ্ণসংস্কৃতি নহয়। পূৰ্ণসংস্কৃতি নহলেই মানুহৰ জীৱনত তাৰ সাম্য নাথাকে। এই Cultural balance নথকা ব্যক্তিয়েই হওক বা জাতিয়েই হওক মানৱ জীৱনৰ পূৰ্ণ আনন্দ লাভ কৰিবলৈ অক্ষম হয়—আৰু প্ৰায়েই অধ পাতলৈ যায়। পৃথিবীৰ বুৰঞ্জীত এই balanced culture অৰ দৃষ্টান্ত আজিলৈকে বৰ কমেইহে পোৱা গৈছে। আমাৰ ভাৰতত এদিন এনে এটা cultural balance অৰ অৱস্থা যদিও এবাৰ পাইছিল—তথাপিও কেৱল মানুহৰ স্বভাৱকে সুন্দৰ কৰি আৰু তাতেই জীৱনৰ সকলো মূল্য দি—বাস্তৱ সংস্কৃতি সভ্যতাক মায়া বুলি উপেক্ষা

কিন্তু !! আছে জানো শক্তি তোৰ পাৰিবি গঢ়িব তই
ৰূপালী দেউল তাৰ হৃদয় কক্ষত,
ৰুদ্ধ হ'ল জ্ঞান যাৰ অশান্তিৰ নিষ্পেষণে
পাথৰৰে গঢ়ি এক সৰসী বুকত।

নোৱাৰ কৰিব সৃষ্টি নকৰ মিছাতে চেষ্টা
বসন্তৰ পুষ্প বৃষ্টি প্ৰথম গ্ৰীষ্মত,
অনৰ্থক চেষ্টা তোৰ, পুণৰায় উৰি গুছি
যা, লৈয়া লগতে সেই বাস্তৱ কণ্ঠত।

---

# ডিব্ৰুগড় কলেজৰ বছেৰেকীয়া সঙ্গীত সন্মিলণৰ সভাপতিৰ অভিভাষণ। ৩০-৪-৪৮

শ্ৰীযুত জ্যোতি প্ৰসাদ আগৰৱালা।

মৰমৰ ছাত্ৰ-ছাত্ৰীসকল আৰু সুধী সমাজ—

আজিৰ সন্মিলনলৈ দিয়া নিমন্ত্ৰণৰ বাবে আপোনাসকলৰ শলাগ লৈছোঁ। মানৱ সংস্কৃতিৰ শ্ৰেষ্ঠ সম্পদ সুকুমাৰ কলাৰ বিষয়ে বহলকৈ আপোনালোকক নকলেও হব। আমাৰ জীৱনত সংস্কৃতিৰ কি মূল্য, সুকুমাৰ কলাৰ কি স্থান—আদি যুগৰে পৰা সুকুমাৰ কলাই মানুহৰ সাংস্কৃতিক প্ৰগতিত কি সহায় কৰিছে আৰু মানুহৰ দিনটিয়া জীৱন সুন্দৰ কৰিবলৈ মধুৰ কৰিবলৈ—সুকুমাৰ কলাৰ কি দান, তাক আপোনাসকলে জানেই। তথাপিও সংস্কৃতি আৰু সুকুমাৰ কলাৰ বিষয়ে মোৰ মনত খেলোৱা দুই এটা কথা বোধ কৰো কলে আপোনাসকলে আমনি নাপাই।

সাধাৰণতে আজি কালি সংস্কৃতি বুলিলে সুকুমাৰ কলাকেই বুজে। কিন্তু অকল সুকুমাৰ কলাই মানুহৰ সংস্কৃতি নহয় আৰু অকল সুকুমাৰ কলা সাহিত্য ইত্যাদিয়েই সংস্কৃতি নহয়। এইবোৰ মানৱ সংস্কৃতিৰ এভাগহে মাথোন। মানৱ সংস্কৃতিৰ আনটো ভাগ হৈছে মানুহৰ স্বভাৱত সৌন্দৰ্য্যৰ প্ৰয়োগ। আৰু এই স্বভাৱৰ সৌন্দৰ্য্য প্ৰকাশ পাই মানুহৰ—মানুহৰ প্ৰতি ব্যৱহাৰত,—মানুহৰ মানুহৰ সৈতে সমন্ধত, মানুহৰ প্ৰাণী জগতৰ প্ৰতি হোৱা দৃষ্টিত। এটা ব্যক্তিৰ বা এটা জাতিৰ যদি এটা ভাগৰ উৎকৰ্ষ থাকি আন ভাগটোৰ নাথাকে তেন্তে সি পূৰ্ণসংস্কৃতি নহয়। পূৰ্ণসংস্কৃতি নহলেই মানুহৰ জীৱনত তাৰ সাম্য নাথাকে। এই Cultural balance নথকা ব্যক্তিয়েই হওক বা জাতিয়েই হওক মানৱ জীৱনৰ পূৰ্ণ আনন্দ লাভ কৰিবলৈ অক্ষম হয়—আৰু প্ৰায়েই অধঃপাতলৈ যায়। পৃথিবীৰ বুৰঞ্জীত এই balanced culture অৰ দৃষ্টান্ত আজিলৈকে বৰ কমেইহে পোৱা গৈছে। আমাৰ ভাৰতত এদিন এনে এটা cultural balance অৰ অৱস্থা যদিও এবাৰ পাইছিল—তথাপিও কেৱল মানুহৰ স্বভাৱকে সুন্দৰ কৰি আৰু তাতেই জীৱনৰ সকলো মূল্য দি— বাস্তৱ সংস্কৃতি সভ্যতাক মায়া বুলি উপেক্ষা

কৰিবলৈ যাওতে – আমাৰ অধঃপতন হল। আজি আকৌ পাশ্চাত্য দেশত সংস্কৃতিৰ এভাগ —মানুহৰ স্বভাৱৰ সৌন্দৰ্য্য প্ৰচেষ্টাক উপেক্ষা কৰি তাৰ, আচল মূল্য নিদি কেৱল বস্তুসংস্কৃতিকেই সাৰ কৰিবলৈ যোৱাৰ ফলত—মানুহৰ জীৱনৰ পৰা আনন্দ নোহোৱা হৈ—ধ্বংশ আৰু সৰ্ব্বনাশ আহি মানৱ জাতিৰ দুৱাৰ দলিত ঠিয় হৈ বিকট হাঁহি মাৰিব লাগিছে। এই সংস্কৃতিৰ দুয়োভাগৰ মূল্য যেতিয়া মানৱ জাতিয়ে ভালকৈ উপলব্ধি কৰি সেইদৰে সংস্কৃতি ৰচনা কৰি মানুহক সেই পূৰ্ণ সংস্কৃতি balnced cultral অলৈ নিব পাৰিব তেতিয়াহে মানুহৰ পৃথিৱীলৈ শান্তি আহিব—আৰু মানুহ মহামহত্বৰ বাটেদি গৈ পৃথিবীত আনন্দৰ স্বৰ্গৰাজ্য স্থাপন কৰিব পাৰিব। সেই কাৰণেই কব খোজো বস্তুৰ মাজেদি প্ৰকাশিত হোৱা সংস্কৃতিৰ সমানে সমানে মানুহৰ স্বভাৱৰ মাজেদি প্ৰকাশ হোৱা মানুহৰ সংস্কৃতিও যদি প্ৰকাশ নহয় তেন্তে মানুহৰ সংস্কৃতি সম্পূৰ্ণ নহয়। সুকুমাৰ কলাৰ যদি এখন দেশত অতি উচ্চ বিকাশ হয় কিন্তু তাৰ মানুহৰ স্বভাৱ বনৰীয়া জন্তুৰ দৰেই হৈ থাকে—নিজৰ ভিতৰত খোৱা কামোৰা, হিংসাহিংসি—তেন্তে সেই সুকুমাৰ কলাৰ সেই বস্তু সংস্কৃতিৰ কি অৰ্থ হল? তাৰ মানুহৰ জীৱনত আনন্দ দিয়াৰ ফালৰ পৰা একো সাৰ্থকতাতো নহল। সেইদৰেই যদি যোগ সাধনা কৰি, জিতেন্দ্ৰিয় হৈ মনটো পৰম শান্তিত ৰাখি বাস্তৱ জগতক এই সুন্দৰৰ প্ৰকাশক মায়া বুলি উৰাই দি হিমালয়ৰ গুহাত সোমাই থাকিল তেন্তে এই বিশ্ব-সংসাৰৰ মহাপ্ৰকাশত যোগ দি জীৱন ৰচনাৰ আনন্দৰ পৰা আতৰি থকাত তেজ-মঙ্গহৰে মানুহ হৈ পৃথিবীলৈ অহাৰ অৰ্থ কি?

মানুহৰ ভিতৰ আৰু বাহিৰ মিলাইহে পূৰ্ণসংস্কৃতি হব। আজি আমাৰ সাংস্কৃতিক আদৰ্শ হব লাগিব এইটোৱেই। আজি নতুন ভাৰতে হেজাৰ বছৰৰ পিছত আকৌ নকৈ জন্ম পাই এই পূৰ্ণসংস্কৃতি ৰচনা কৰিব পাৰিলেই আমি নিখিল পৃথিবীকে বাট দেখুৱাই নিব পাৰিম।

আজিৰ ভাৰতৰ তৰুণ তৰুণী আপোনা-লোক—আপোনালোকে আজি ভাৰতত এক নতুন সভ্যতা সংস্কৃতি গঢ়িবলৈ ঠিয় হৈছে—তাৰ সূত্ৰ বিচাৰিছে,—তাৰ সপোন দেখিছে—সেই সংস্কৃতিৰ ৰূপ উপলব্ধি কৰিবলৈ সাধনা কৰিছে সেইহে মই, মোৰ চিন্তাৰ দাৰিদ্ৰ্যৰেও মোক আপোনালোকে মাতি আনিছে দেখি—মোৰ মনৰ কথাযাৰি আপোনালোকক কবলৈ আগবাঢ়িছো।

মানুহৰ স্বভাৱৰ সৌন্দৰ্য্য সাধনত যেনেকৈ সুকুমাৰ কলাক নিয়োজিত কৰিব পাৰি—সেইদৰেই স্বভাৱৰ সৌন্দৰ্য্যই সুকুমাৰ কলাকো মহত্ব দিয়ে। এই দৰে এই দুই ভাগে পাৰস্পৰিক সহায়েৰে দুইৰো উৎকৰ্ষ বিধান কৰি মানুহক প্ৰগতিৰ বাটেদি আগ বঢ়াই নি মানুহৰ ভিতৰত অনন্ত সৌন্দৰ্য্য প্ৰয়াসীটোক প্ৰকাশৰ পৰা প্ৰকাশলৈ নি থাকে। এক প্ৰকাশৰ ভৱিষ্যতৰ প্ৰকাশ সুকুমাৰ কলাৰ মাজেদি বিৰিঙি আহিব লাগিব।

তাৰ মানে আচল সুকুমাৰ কলা Art হব লাগিব Futuristc—ভাবিষ্যতিক। আৰু যি আৰ্টত এই ভবিষ্যতে থানিকা লয়হি —— অৰ্থাৎ মানৱ জাতি যি মহান বাস্তবৰ সৃষ্টি কৰিবলৈ আদর্শ ধৰিছে সেই তাৰে বাট দেখুৱা দিগ নিৰ্ণয় কৰা পোহৰৰ চাকি হব, সিয়েহে আচল সুকুমাৰ কলা। আজিৰ জীৱনকো সি কৰি যাব লাগিব সুন্দৰ মুধুৰ আৰু আনন্দৰে পূৰ। সেই কাৰণেই সুকুমাৰ কলা উপায় Means ও আৰু end ও। সুকুমাৰ কলা প্ৰগতিৰ শ্ৰেষ্ঠ আহিলা কাৰণ মানুহৰ মনক ইয়েই প্ৰভাৱ কৰিব পাৰে সকলোতকৈয়ে বেচি-কৈয়ে। নতুন ভাৰতৰ নতুন সমাজ গঢ়িবলৈ সেই কাৰণেই সুকুমাৰ কলাৰ ফালে আমি বিশেষ ভাবে মন দিব লাগিব।

মানুহৰ স্বভাৱক সুন্দৰ কৰা সংস্কৃতিৰ যি প্ৰয়াস—সেইটো অহিংসাৰ প্ৰয়াস। আৰু অহিংসা মানুহে জীৱনৰ সকলো ক্ষেত্ৰতে প্ৰয়োগ কৰিলেই—মানুহৰ সমাজৰ সকলো বৈষম্য নাই—কিয়াহে মানুহৰ পাৰস্পৰিক ব্যৱহাৰলৈ সৌন্দৰ্য্য নামিব। কেৱল non killing অকে মই অহিংসা বোলা নাই। শোষণ, পীড়ন, দলন,—স্বাৰ্থবাদ, প্ৰভুত্ব, ক্ষমতা লিপ্সুতা এইবোৰ সকলোৱেই হিংসা। সেই কাৰণেই মানুহৰ স্বভাৱৰ এই সকলোতে অহিংসা স্থিতি হলেই মানুহৰ স্বভাৱ সংস্কৃতিৰ তলতীয়া হব। মহাত্মাৰ এই সংস্কৃতিৰ বাণী অৱশ্যে বাস্তৱিক ক্ষেত্ৰত যিমান দূৰ প্ৰয়োগ কৰিব পাৰি তাক কৰিবলৈ আমি আগবাঢ়িছো। আৰু সময়ৰ লগে লগে বৈজ্ঞানিক ভাবে ইয়াক হিংসাৰ বিৰুদ্ধে কেনেকৈ প্ৰয়োগ কৰিব পাৰি তাৰ তত্ত্ব তথ্য আৱিস্কাৰ হোৱাৰ সৈতে এই বিষয়ে আমি আগবঢ়াৰ সমন্ধ যথেষ্ট।

সংস্কৃতি ইভাগত সুকুমাৰ কলা বিষয়ে আমি আজি কি কৰিম তাকেই অলপ আলোচনা কৰোঁ। সুকুমাৰ কলা বুলিলে আমি, প্ৰধানতে কবিতা, সঙ্গীত আলেখ্য, স্থাপত্য আৰু ভাস্কৰ্য্যকে ধৰোহঁক। আজি কালিৰ প্ৰগতিশীল কবিতা কোন বাটেদি গৈছে তাক আপোনালোকে জানেই; তাৰো মূৰ্ত্ত হৈ অহা ৰূপৰ সৈতে আপোনালোকৰ চিনাকী আছেই। নৱভাৰতীয় আলেখ্যইও এটা প্ৰকাশ বিচাৰি ওলোৱাৰ ইঙ্গিত আপোনালোকে পাইছেই। আমাৰ আজিৰ ভাৰতীয় সঙ্গীতে আগৰ ৰাগ-ৰাগিনী ৰূপৰ পৰা ওলাই পৃথিবীৰ নানা জলবায়ুৰ পৰা অহা নন সুৰ আৰু ঠাটৰ সৈতে চিনাকী হৈ, আমাৰ ৰাজআলিয়ে আলিয়ে সাৰটা সাৰটি ফুৰাও আপোনালোকে দেখিছে। বিশেষকৈ আমাৰ আধুনিক সঙ্গীতত সঙ্গীত বিজ্ঞানৰ ফালৰ পৰা এটা ডাঙৰ কথা হব ধৰিছে সেইটো গৈছে ভাৰতীয় সঙ্গীতত হাৰমণিৰ আবিৰ্ভাৱ। ই আমাৰ সঙ্গীতৰ প্ৰভাৱ প্ৰচণ্ড-ভাৱে কৰিলে কথাচিত্ৰ অহাৰ পৰা। কৰ্ম্ম-কোলাহল মুৰ্খৰ বাস্তৱক সঙ্গীতৰ মাজেদি প্ৰকাশ দিবলৈ আমাৰ melodic সঙ্গীতে ভালকৈ নোৱাৰে। সেই কাৰণেই কথাচিত্ৰৰ অন্তৰাল সঙ্গীত—যি চিত্ৰত প্ৰতিফলিত হোৱা

তাৰ মানে আচল সুকুমাৰ কলা Art হব লাগিব Futuristc—ভাবিষ্যতিক। আৰু যি আৰ্টত এই ভবিষ্যতে থানিকা লৱহি —— অৰ্থাৎ মানৱ জাতি যি মহান বাস্তৱৰ সৃষ্টি কৰিবলৈ আদৰ্শ ধৰিছে সেই তালৈ বাট দেখুৱা দিগ নিৰ্ণয় কৰা পোহৰৰ চাকি হব, সিয়েহে আচল সুকুমাৰ কলা। আজিৰ জীৱনকো সি কৰি যাব লাগিব সুন্দৰ মুধুৰ আৰু আনন্দৰে পূৰ। সেই কাৰণেই সুকুমাৰ কলা উপায় Means ও আৰু end ও। সুকুমাৰ কলা প্ৰগতিৰ শ্ৰেষ্ঠ আহিলা কাৰণ মানুহৰ মনক ইয়েই প্ৰভাৱ কৰিব পাৰে সকলোতকৈয়ে বেচি-কৈয়ে। নতুন ভাৰতৰ নতুন সমাজ গঢ়িবলৈ সেই কাৰণেই সুকুমাৰ কলাৰ ফালে আমি বিশেষ ভাবে মন দিব লাগিব।

মানুহৰ স্বভাৱক সুন্দৰ কৰা সংস্কৃতিৰ যি প্ৰয়াস—সেইটো অহিংসাৰ প্ৰয়াস। আৰু অহিংসা মানুহে জীৱনৰ সকলো ক্ষেত্ৰতে প্ৰয়োগ কৰিলেই—মানুহৰ সমাজৰ সকলো বৈষম্য নাই—কিয়নো মানুহৰ পাৰস্পৰিক ব্যৱহাৰলৈ সৌন্দৰ্য্য নামিব। কেৱল non. killing অকে মই অহিংসা বোলা নাই। শোষণ, পীড়ন, দলন,—স্বাৰ্থবাদ, প্ৰভুত্ব, ক্ষমতা লিপ্সুতা এইবোৰ সকলোৱেই হিংসা। সেই কাৰণেই মানুহৰ স্বভাৱৰ এই সকলোতে অহিংসা স্থিতি হলেই মানুহৰ স্বভাৱ সংস্কৃতিৰ তলতীয়া হব। মহাত্মাৰ এই সংস্কৃতিৰ বাণী অৱশ্যে বাস্তৱিক ক্ষেত্ৰত যিমান দূৰ প্ৰয়োগ কৰিব পাৰি তাক কৰিবলৈ আমি আগবাঢ়িছো। আৰু সময়ৰ লগে লগে বৈজ্ঞানিক ভাবে ইয়াক হিংসাৰ বিৰুদ্ধে কেনেকৈ প্ৰয়োগ কৰিব পাৰি তাৰ তত্ত্ব তথ্য আৱিস্কাৰ হোৱাৰ সৈতে এই বিষয়ে আমি আগবঢ়াৰ সমন্ধ যথেষ্ট।

সংস্কৃতি ইভাগত সুকুমাৰ কলা বিষয়ে আমি আজি কি কৰিম তাকেই অলপ আলোচনা কৰোঁ। সুকুমাৰ কলা বুলিলে আমি, প্ৰধানতে কবিতা, সঙ্গীত আলেখ্য, স্থাপত্য আৰু ভাস্কৰ্য্যকে ধৰোহঁক। আজি কালিৰ প্ৰগতিশীল কবিতা কোন বাটেদি গৈছে তাক আপোনালোকে জানেই; তাৰো মূৰ্ত্ত হৈ অহা ৰূপৰ সৈতে আপোনালোকৰ চিনাকী আছেই। নৱভাৰতীয় আলেখ্যইও এটা প্ৰকাশ বিচাৰি ওলোৱাৰ ইঙ্গিত আপোনালোকে পাইছেই। আমাৰ আজিৰ ভাৰতীয় সঙ্গীতে আগৰ ৰাগ-ৰাগিনী ৰূপৰ পৰা ওলাই পৃথিবীৰ নানা জলবায়ুৰ পৰা অহা ন ন সুৰ আৰু ঠাঁটৰ সৈতে চিনাকী হৈ, আমাৰ ৰাজআলিয়ে আলিয়ে সাৱটা সাৱটি ফুৰাও আপোনালোকে দেখিছে। বিশেষকৈ আমাৰ আধুনিক সঙ্গীতত সঙ্গীত বিজ্ঞানৰ ফালৰ পৰা এটা ডাঙৰ কথা হব ধৰিছে সেইটো গৈছে ভাৰতীয় সঙ্গীতত হাৰমণিৰ আবিৰ্ভাৱ। ই আমাৰ সঙ্গীতৰ প্ৰভাৱ প্ৰচণ্ড-ভাৱে কৰিলে কথাচিত্ৰ অহাৰ পৰা। কৰ্ম্ম-কোলাহল মুৰ্খৰ বাস্তৱক সঙ্গীতৰ মাজেদি প্ৰকাশ দিবলৈ আমাৰ melodic সঙ্গীতে ভালকৈ নোৱাৰে। সেই কাৰণেই কথাচিত্ৰৰ অন্তৰাল সঙ্গীত—যি চিত্ৰত প্ৰতিফলিত হোৱা

বাস্তৱ জীৱনকো তাৰ বাস্তৱতাৰে ফুটাই তুলিব লগা হল। তেতিয়া কেৱল melodyৰে তাক নোৱৰাৰ বাবেই harmonyৰ শৰণ লব লগীয়া হল। আমাৰ জনসাধাৰণো কথাচিত্ৰৰ যোগেদি harmonysed সঙ্গীতত অভ্যস্ত হৈ পৰাত কেৱল melodic সঙ্গীত আমাৰ পুৰণি সঙ্গীতৰেই অদূৰ ভবিষ্যতত বস্তু হৈ থাকিবগৈ বুলি ধাৰণা হৈছে। এই এটা বৰ ডাঙৰ পৰিবৰ্ত্তন আমাৰ সঙ্গীতত হৈছে। তাৰ উপৰিও আমাৰ সঙ্গীতত vertical rythm নাছিল বুলিলেও হয়। বৰ্ত্তমান সেই vertical rythm আমাৰ সঙ্গীতত বিশেষকৈ সামৰিক বা বিপ্লৱী গীতবোৰত ব্যৱহাৰ কৰিছো। এই ঘাই কথা কেইটাৰ বাহিৰেও আৰু সৰু সৰু নানা সাঙ্গীতিক পৰিবৰ্ত্তনো আমাৰ সঙ্গীতলৈ আহি আমাৰ আগৰ ৰাগৰাগিণী-মূলক সঙ্গীতৰ সৈতে আধুনিক সঙ্গীতক বহু বেলেগাই পেলাইছে। আমাৰ জীৱনৰ ৰূপ, সমাজৰ ৰূপ সলনি হোৱাৰ সৈতে সঙ্গীতবো ৰূপ সলনি হবই—আৰু নোহোৱাটোহে আচৰিত কথা। এই ভাৰতীয় আধুনিক সঙ্গীতৰ এটা লক্ষ্য কৰিব লগীয়া কথা হৈছে যে ই নিখিল ভাৰতত এক ৰূপেৰেই প্ৰকাশিত হৈছে। আগেয়ে যেনেকৈ মূলতঃ একে হোৱা সত্বেও ভাৰতীয় সঙ্গীতৰ প্ৰাদেশিক প্ৰকাশ যথেষ্ট বিভিন্ন আছিল—এতিয়া সেইটো হোৱা নাই। আধুনিক এটা বঙালী অঁসমীয়া বা মাৰাঠী গানৰ পাৰ্থক্য—আগৰ হিচাবত নাই বুলিলেই হব। সেই কাৰণেই সঙ্গীতৰ ক্ষেত্ৰত আজি আমি সকলো ভাৰতীয়ই—একেবাৰে একে হৈ আহিছো। যদিও আমাৰ প্ৰত্যেক প্ৰদেশৰ পূৰণি সাঙ্গীতিক বৈচিত্ৰতা আমি ৰাখিবলৈ চাব লাগে—তথাপিও এই নতুন আপোনা আপুনি অহা ঐক্যকো সাদৰি লব লাগিব আমি—কাৰণ ভাৰত ৰাষ্ট্ৰৰ ৰাজনৈতিক ঐক্য ৰক্ষাত এই সাংস্কৃতিক ঐক্যই আমাক সহায় কৰিব। পৃথিবীৰ আমি এটা জাতি হৈ নানা যুজ বাগৰ স্বাৰ্থৰ প্ৰচণ্ড সংঘৰ্ষৰ মাজত তিষ্ঠি থাকিবলৈ—সৰ্ব্বভাৰতীয় ৰাজনৈতিক ঐক্য আমাৰ নহলে আমাৰ যে কাৰো পৰিত্ৰাণ নাই সেই কথাটো সদায় মনত ৰাখিয়েই সাংস্কৃতিক ঐক্যৰ বাটলৈ প্ৰদেশবোৰে নিজৰ বৈশিষ্ঠতা একেবাৰে নেৰাকৈ যিমান দূৰ আঁহিব পাৰে তাৰ প্ৰয়াস অৱশ্যে কৰিবই লাগিব. ভাস্কৰ্য্যৰ ক্ষেত্ৰতহে আমি ভাৰতত একোনৱ প্ৰকাশৰ ৰেঙনি দেখা নাই। আমাৰ পূৰণি হিন্দু আৰু বৌদ্ধ ভাস্কৰ্য্যৰ সৈতে আপোনালোকৰ চিনাকি আছেই। আজি কেৱল আমাৰ এই ভাস্কৰ্য্যৰ ক্ষেত্ৰত হে আমাৰ মনটোৱে একো কৰিব নোৱাৰি বৈ থকা যেন লাগে। আজিৰ ভাৰতীয় ভাস্কৰ্য্যৰ যি দুই এটা নিদৰ্শক দেখা গৈছে—সেইবোৰ গ্ৰীচিয় ৰোমীয় নিদৰ্শণ আৰু আমাৰ পূৰণি ভাৰতীয় ভাস্কৰ্য্যৰ ছন্দৰ পৰা কোনো বৈপ্লবীক ভঙ্গীৰে আতৰি আহিব পৰা নাই। সেই কাৰণে সেই বিষয়ে আজি আৰু আলোচনা নকৰি স্থাপত্যৰ বিষয়ে কিছু কবলৈ চেষ্টা কৰিম।

একৰকমে চাবলৈ গলে ভাৰতত থলুৱা স্থাপত্যৰ বৌদ্ধ যুগৰ পাছৰ পৰা তেনে

অভিনৱ ৰূপ নাই। মোগল স্থাপত্য আৰবীয় স্থাপত্যৰ নিদৰ্শণৰ। যদিও মোগল যুগৰ আৰু তাৰ পাছত হিন্দু বৌদ্ধ, গ্ৰীচিয়, মোগল স্থাপত্যৰ সম্মিশ্ৰণেৰে স্থাপত্য গঢ়া হৈছে— তথাপিও সেইবোৰৰ মাজেদি ভাৰতীয় স্থাপত্যৰ তেনেকুৱা পৃথিবীক প্ৰভাৱ কৰিব পৰা নতুন ৰূপ ওলাই অহা নাছিল। বৃটিংশৰ দিনতো আমাৰ স্থাপত্যৰ অৱস্থা সেয়েই। এলিজাবিথিয়, যুগৰ বিলাতী স্থাপত্যই আমাৰ নাগৰিক ঘৰবাৰীৰ ওপৰত প্ৰভাৱ কৰিলে। গ্ৰীচিয় ৰোমীয় গথিক স্থাপত্যই আমাৰ ৰাজহুৱা ঘৰবাৰীত প্ৰতিফলিত হল। পুৰণি ভাৰতীয় স্থাপত্য আৰু ইউৰূপীয় স্থাপত্যৰ মিহলি নিদৰ্শণৰ যদিও আমাৰ দেশত ইংৰাজ জাৰ্ম্মাণ স্থাপত্য শিল্পীৰ পৰিকল্পনা মতে ঘৰবাৰী বহুত হল—কিন্তু ভাৰতীয় স্থাপত্যৰ মৌলিক বিকাশৰ ফালৰ পৰা একো নহল। আজি নতুন বিশ্বস্থাপত্য— Modern, Short Futurish আটাইবোৰেই – Symmetry ৰে ৰৌপিক সৌন্দৰ্য্য উলিয়াই স্থাপত্য সৃষ্টি কৰিবলৈ বিচাৰিছে। আমাৰ ভাৰতীয় স্থাপত্য শিল্পীয়েও ভাৰতীয় বিশেষত্ব ৰাখি এনে ৰৌপিক সৌন্দৰ্য্যৰে নৱ ভাৰতীয় স্থাপত্য ৰচনা কৰিব লাগিব আজি ভাৰতৰ —তথা অসম দেশৰ নতুনকৈ হোৱা ঘৰবাৰী-বোৰ নতুন ভাৰতীয় শিল্পী মনৰ - এই ৰৌপিক সৌন্দৰ্য্যৰ স্থাপত্যৰ পৰিকল্পনাৰে হব লাগিব। তেতিয়াহে সি আমাৰ আজিৰ স্থাপত্য হব। যদি আজিৰ আমাৰ ঘৰবাৰী—বৃটিংশৰ দিনীয়া স্থাপত্যৰ পৰিকল্পনাৰেই হয়—তেন্তে কব লাগিব যে - ভাৰতীয় মৌলিক প্ৰতিভা স্থাপত্যৰ ক্ষেত্ৰত মুকলি হোৱা নাই। আজি আমি ভাৰতৰ যি এটা নতুন সংস্কৃতিৰ সপোন দেখিছো—সেই নতুনৰ ইঙ্গিত দিব পৰা হব লাগিব আমাৰ আজিৰ স্থাপত্য—তাৰ মানে আমাৰ স্থাপত্য Futuristic হব লাগিব। আমাৰ অতীত আছিল – বৰ্ত্তমান আমাৰ নাই বুলিলেই হয়—আনি ভৱিষ্যত গঢ়িব খুজিছো। আমাৰ ভৱিষ্যতৰ জীৱনৰ ছন্দ — আমাৰ আজি গঢ়া স্থাপত্যৰ ছন্দত ফুটি উঠিব লাগিব—তেহে সি আমাৰ স্থাপত্য হব। আমাৰ স্থাপত্যৰ ৰূপত প্ৰতিফলিত হব লাগিব ভাৰতীয়—অসমীয়া নতুন জীৱনৰ সপোন দেখা শিল্পীটোৰ মনটো। আজি যদি আমাৰ স্থাপত্যৰ কলাৰূপটো দিয়েহি আনে—তেন্তে সি আমাৰ ঘৰহিচাবে সম্পত্তি হলেও—সেই ঘৰ আমাৰ ডাঙৰ কামত আহিলেও – আমাৰ আজিৰ স্থাপত্যৰ নিদৰ্শণ সি কেতিয়াও নহব। সেই কাৰণেই আজি অসমৰ নতুন ৰাজহুৱা ঘৰবোৰৰ স্থাপত্যৰ ৰূপটো কোনে দিব সেই বিষয়ে সকলোৱে দকৈভাবিব লাগে। আজিলৈ এই খিনিতেই মোৰ কবলগীয়া কথা সামৰিবলৈ ওলালোঁ।

আজি আমাৰ নতুন দিনৰ নতুন ভাৰত গঢ়িবলৈ ওলোৱা নতুনৰ মনৰ —নতুন সৃষ্টি ঠন ধৰি উঠক। এক অভিনৱ সংস্কৃতি আহি এই বহুদিন জগতসভাৰ পৰা আতৰত পৰি থকা ভাৰতীয় জাতিটোক পৃথিবীত জিলিকাই তোলক। নতুন সংস্কৃতিৰ বাটেদি ভাৰত আগবাঢ়ি যাওক।

# এইবাৰ বসন্তৰ ফুলোতে গোলাপ

—বিবি—

এইবাৰ বসন্তৰ ফুলোতে গোলাপ পাহি
পাৰা যদি আহি যাবা সাদৰী বুকৰ ;
পঁজাটিৰ এচুকত আশা পালি ৰম মই
চকুত চাৱনি লই শত আবেগৰ।
একোটিযে নাই মোৰ পঁজাটিৰ ভিতৰত
যিহেৰে কৰিব পাৰো তোমাক সন্তোষ ;
এখনি অন্তৰ মাঠো আবেগেৰে ভৰপূৰ
তাকে বুজি অনুৰোধ লভিবা হৰিষ।
বাহিৰত চাৰিকাযে আছে ভৰি সমাৰোহে
প্ৰকৃতিৰ অবদান ফুলৰ সম্ভাৰ ;
আহি পালে প্ৰিয়া মোৰ অযাচিতে হেলাৰঙে
তোমাকেই সকলোৱে কৰিব আদৰ।
লাহে লাহে আহি তুমি বহিবাহি আনন্দেৰে
তুখীয়াৰ যিবা আছে ভঙা আসনত ;
চকু জুৰি তুলিলেই দেখা পাবা তোমাৰেই
চবি খনি অঁৰা আছে মূৰ শিতানত।
বৰ্ণাম হেপাহেৰে বিপুল বেদনা ভৰা
নীঃশঙ্গজীৱনৰ করুণ কাহিনী মোৰ ;
শেষ হব তেতিয়াহে গোপন নিহিত যত
কলা-বগা বেদনাৰ অপ্ৰকাশ সুৰ।
আকলুৱা আবেগৰ বশবৰ্ত্তী হই মই
কৰো যদি ভুল ত্ৰুটি তোমাৰ কাষত ;
ক্ষমিবা সকলোবোৰ স্মৃতিৰ দাপোন চাই
বান্ধি লবা চিৰদিনে আপোন ভাবত।

---

# জীৱনৰ ফেৰ।

শ্ৰীদেবেন্দ্ৰ নাথ সোনোৱাল।
প্ৰথম বাৰ্ষিক (কমাৰ্চ)

বেচেৰীজনী ছালছিগা ভিক্ষাৰিনী। দিনৰ দিনটো কোনো মতে খুজিমাগি এমুঠি গোটায়। তাৰে তুভাগ কৰি এভাগ তাই নিজে খায় আৰু আনভাগ দিয়ে তাইৰ সেই ভোকত লালকাল হৈ থকা জীয়েকক। তাই তাইৰ ৫ বছৰীয়া জীয়েকৰ মুখখনিলৈ চালে তাইৰ প্ৰাণ কান্দি উঠে। তাই ভাবে "সংসাৰত কিয় ইমান পাৰ্থক্য। এফালে এটা শ্ৰেণীয়ে চিৰকাল বিলাস ভৰনত আমোদ-প্ৰমোদেৰে কাল কটাইছে আৰু আন এটা শ্ৰেণীয়ে চিৰকাল বুভুক্ষিত হৈ সংসাৰ পথ অতিক্ৰম কৰিছে।" আকৌ হঠাতে ভাবি তাই থমকি ৰয়। কোনোবাই যেন তাইৰ কাণত ফুচফুচাই উপহাসৰ সুৰেৰে কয় "ই বিধি - নিয়ন্তাৰ চিৰন্তন নীতি! অদৃষ্টৰ পৰিহাস।"

আহাৰৰ সন্ধিয়াৰ আকাশখনিক এছাটি ক'লা ডাৱৰে ঢাকি পেলাইছে। সেই কদাকাৰ,

দুৰ্য্যোগপূৰ্ণ দিন এটিত অলকা নামৰ ভিক্ষাৰিণীজনী আহি থাকে ধুমুহাৰ অভেদ্য প্ৰাচীৰ ভেদ কৰি কোনোমতে কোলাত ৫ বছৰীয়া কেচুৱাজনী লৈ। ঢিমিক্ ঢামাককৈ জ্বলি থকা এটি ঘৰৰ চাকিলৈ তাইৰ চকু যায়। তাইৰ মন আনন্দত নাচি উঠে। ৰাতিটো কোনোমতে সেই ঘৰৰ বাৰাণ্ডাতে বহি কটাব পাৰিব। হঠাতে তাইৰ দৃষ্টি কেচুৱাজনীৰ ওপৰত পৰে। কিবা এটি অনাহূত আশঙ্কাত ভিক্ষাৰিণীৰ বুকু কঁপি উঠিল। কেচুৱাৰ মুখৰ পৰা ক্ষীণভগা মাতৰ স্বৰ ওলাই আহে "মা! ………ভাত………মা……। শেষ সকলো শেষ। তাইৰ সোণৰ পুতলি, জীৱনৰ আপোন সংসাৰৰ পাকচক্ৰত পৰি তাইৰ পৰা চিৰ বিদায়। এতিয়া অলকাৰ আপোন বুলিবলৈ সংসাৰত কোনো নাই। মাতৃস্নেহৰ বশীভূত হৈ তাইয়ো জীয়েকৰ ওপৰতে চিৎ খাই পৰে। মেঘৰ গাজনি, বতাহৰ হো-হোৱনি, বৰষুণৰ বৰ বৰ টোপাল, ভয়লগা বিজুলী একোৱে তাইক বিচলিত কৰিব নোৱাৰিলে। হঠাৎ এচমকা বিজুলী তাইৰ চকুত ভাহি উঠে ইয়াকে দেখি তাইৰ মনত হয় সংসাৰৰ পুত্ৰ, আপোনজন সকলো এই বিজুলীৰ দৰে হঠাৎ এবাৰ ওলাই আকৌ নাইকিয়া হয়। মায়াত আৱদ্ধ থকাৰ বাবেই সংসাৰৰ কিবা এটি হেৰুৱাই মানৱ অন্তৰে সেই হেৰোৱা বস্তুটিৰ বাবে শোক কৰে।" তাই কেচুৱা ভাতে এৰি পুনৰ আগৰ পথ লৈ আগুৱাই গৈ থাকে।

ৰাতিপুৱাবলৈ আৰু এপৰ বাকী। অলকা গৈ সেই চাকিৰ পোহৰ দেখা ঘৰটোৰ বাহিৰৰ বাৰাণ্ডাতে পৰি থাকেগৈ।

ৰাতিপুৱাল। ৰাঙলী দিনমণিৰ পৰশ পাই ধৰিত্ৰীৰ সকলো আলোময় হৈ উঠে। ঘৰটোৰ পৰা দুৱাৰ মেলি ওলাই আহে এটি সৰু লৰা। অলকাৰ গাত ভৰি লাগি লৰাটো উজুটি খাই পৰে। সি কান্দিবলৈ ধৰে "মা!" ভিতৰৰ পৰা ওলাই আহে লৰাটোৰ মাক। মাকে এছাৰি এডাল লৈ আহি বেচেৰী ভিক্ষাৰীজনীৰ গাত ভালকৈয়ে কেইটামান কোব দিলে—তাই মাতিব নোৱাৰা হয়।

বাটৰ কাষলৈ ডাঙি নি বেচেৰীক থৈ আহে। তাই অৱশ, ক্লান্তময় শৰীৰত চেকনিৰ আশীৰ্ব্বাদ লৈ তাতে পৰি থাকে। তাইক ডেও দি পাৰ হৈ যায় এজন লৰা। তাই লৰাজনক মাতি ক্ষীণ স্বৰেৰে কয় 'বোপা! এই কলা-বগা সংসাৰত স্বামীক সুখ দিব নোৱাৰাৰ বাবেই মোৰ আজি এই অৱস্থা। মোৰ দেউতা আছিল বৰ চহকী মানুহ কিন্তু কালৰ কৰাল গ্ৰাসত পৰি দেউতাই নিজৰ সকলো সম্পতি অইনৰ হাতত সমৰ্পণ কৰিব লগা হল। মোৰ দেউতাৰ অৱস্থা টনকীয়াল হৈ থকা সময়তে মোৰ বিয়া হয় এই নগৰৰে এজন সামান্য চাকৰিয়ালৰ পুতেকৰ লগত। মোৰ স্বামীক মই স্বামী বৰণ কৰাৰ আগতে আমাৰ দেউতাই তেওঁক লিখা-পঢ়াৰ সকলো খৰছ যোগায়, কিয়নো মোৰ স্বামীৰ দেউতাকৰ অৱস্থা অতি

শোকজনক আছিল। কালক্ৰমে তেওঁ শিক্ষা জীৱন এৰি ওকালতি আৰম্ভ কৰে। তেওঁ এতিয়ালৈকে সেই ব্যৱসায়েই চলাই আছে। কিন্তু কালৰ কুটিল গতিত মোৰ স্বামীয়ে মোৰ স্বামী শুশ্ৰূষাক ভুল বুজি মোক উপেক্ষা কৰি চহৰৰ এজন ধনী মানুহৰ ঘৰৰ ছোৱালী এজনী বিয়া কৰায়। তাই স্বামীক মোৰ বিৰুদ্ধে নানা কটুবাক্য লগাবলৈ ধৰিলে। মোৰ স্বামীয়েও তাইৰ কথাতে পতিয়ন গৈ মোৰ ওপৰত যি মনোবৃত্তি পোষণ কৰি মোক ঘৰৰ পৰা এদিন বাজ কৰি দিলে সেই কথা মোৰ মনত পৰিলে আজিও প্ৰাণ কান্দি উঠে। মোৰ স্বামীৰ ঘৰত এটি মাত্ৰ মোৰ নিজৰ পেটৰ পো থাকি যায়। তাৰ নাম বোধকৰো নীৰেন আছিল। তাৰ চেহেৰাটোও ঠিক তোমাৰ দৰেই আছিল। তোমাক দেখি আজি মোৰ তালৈ মনত পৰিছে। মোক ঘৰৰ পৰা খেদি দিয়া সময়ত মোৰ নীৰেন আছিল এবছৰীয়া। এতিয়া সি জীয়াই আছেনে নাই কব নোৱাৰো। তাৰ কিছুদিনৰ পিচতেই মোৰ এজনী ছোৱালী হয়। সেই ছোৱালী জনীও নিয়তীয়ে নিষ্ঠুৰ ভাবে কেতিয়া মোৰ বুকৰ পৰা থাপ মাৰি লৈ গল মই নিজে কব নোৱাৰো।

তাৰ পাচত ঘৰৰ পৰা ওলাই আহি কিছুদিন অকলে আৰু কিছুদিনৰ পাচত ছোৱালীজনী বুকত বান্ধি ভিক্ষাবৃত্তি অৱলম্বন কৰি কোনোমতে পেট প্ৰবৰ্ত্তাই আছিলো। এদিন হঠাতে ভিক্ষা কৰি থাকোতে আমাৰ ৰাতি হল। বতাহ বৰষুণে পাই মোক আৰু মোৰ বুকৰ জীউ ছোৱালীটিক জ্বলাকলা কৰি অতিষ্ঠ কৰিলে। ছোৱালীজনী কলৈ গল কব নোৱাৰিলো। মই কোনোমতে এঘৰত আশ্ৰয় ললো। ৰাতি পুৱালত এটি সৰু লৰাই মোক দুৱাৰ মুখত পাই উজট খাই পৰে। লৰাৰ মাকে তেতিয়া মোক বেতেৰে কোবাই কলৈ লৈ গল মই একো কব নোৱাৰো! মোৰ স্বামীক অৱশ্যে মই ইয়াৰ কাৰণে নোদোষো। ই মোৰ অভিশপ্ত জীৱনৰ এক অধ্যায়ৰ সূচনা মাত্ৰ। যদি বিদায় পৰত নীৰেনক আৰু এবাৰ স্বামীক দে—খা—।” অলকা পৰি থাকে স্পন্দনহীন, জড়, ক্ষীণ শুকান মুখখনিলৈ। নীৰেনৰ দুগালেদি দুধাৰী তপত চকুলো বৈ গল। নীৰেনৰ বাপেক হৰেন্দ্ৰ হাজৰীকা আহি তাইৰ চেঁচা হাত দুখনিত ধৰি কয়—“মোক ক্ষমা কৰিবা। মইয়ো যাওঁ। সতীৰ সতীত্বত কলঙ্কৰ বোজা আৰি দিয়া মোৰ দৰে পাপীৰ এই সংসাৰত ঠাই নাই বুলি তেওঁয়ো সংজ্ঞাহীন হৈ পৰি যায়। কিছুপৰৰ মূৰত তেওঁ চেতনা পাই ওলায় যায় সুদূৰ বাটৰ অগম্য অৰণ্যলৈ। তাই পৰি থাকে সেই আলিৰ কাযতে। নীৰেন যায় কৰবাৰ অচিন আত্মীয় স্বজনহীন এখন দেশলৈ।

---

# ৰমাই-ৰতনী।

( এটি পুৰণি গল্প )

অধ্যাপক—বেণুধৰ ৰাজখোৱা।

আগৰ কালৰ কথা। তেওঁ চফল ডেকা। নাম ৰমাই। দেখিবলৈ সুগঢ়ী, সুঠাম। ৰতনী তেওঁৰে ভাৰ্য্যা—নতুনকৈ বিয়া কৰি আনিছে। দিপলিপ্ ছোৱালীটী—কোনো অঙ্গত খতি খুন নাই। অপেচৰী সদৃশ—চালে চকু ৰয়। ৰমাই ৰতনীৰ অভিন্ন হৃদয়। দুয়োৰো পৰস্পৰ প্ৰীতি স্বৰ্গীয়। এজনে আন জনক খন্তেক নেদেখিলেই জীৱন্তে মৰা। ৰমাই সাধাৰণ প্ৰজা - এনে মানুহৰ ঘৰত অপেচৰীৰ স্থিতি কেনেকৈ সম্ভৱপৰ হব পাৰে! দেশৰ ৰজা আছিল স্বেচ্ছাচাৰী, স্বভাৱ উচ্ছৃঙ্খল। এনে অৱস্থাত ৰজাক ভালৰি বোলাবলৈ যোৱা মানুহৰ আটক নাছিল। এজন দুৰন্ত মানুহে ৰমাই-ৰতনীৰ কথা ৰজাক জনালেগৈ। শুনামাত্ৰকতে ৰজাই ৰতনীক হাত কৰিবলৈ সঙ্কল্প কৰিলে। তেওঁ কটকী পঠাই ৰমাইক মতাই অনালে। ৰমাইৰ গা বাজিল। ৰতনীৰ সোঁ-চকু নাচিবলৈ ধৰিলে। ৰমায়ে ৰতনীৰ ওচৰত বিদায় লৈ কাৰেঙলৈ যাত্ৰা কৰিলে। তেওঁ ৰজাৰ আগত গৈ আঁঠু ললে। ৰজাই ৰতনীক পাবৰ নিমিত্তে অভিলাষ কৰিলে, আৰু বিনিময়ত ৰমাইক বিস্তৰ ধন সোন যাচিলে। ৰমাই কোনোমতে সৈমান নহল। ৰমাইৰ গম্ভীৰ দৃঢ়প্ৰতিজ্ঞা দেখি ৰজা স্তম্ভিত হল। তেওঁ বুজিলে যে ৰমায়ে ঘৰলৈ গলে ৰতনীক পলুৱাব—এতেকে বাজে বাজে ৰমাইক বধ কৰিবৰ নিমিত্তে আলচিলে।

তেতিয়া আহিন মাহ—বতৰ খৰালি। ধান লহ্পহ্কৈ বাঢ়ি গোটেই পথাৰ ৰমক-জমক কৰিছে। লখিমীৰ বিভূতি পয়োভৰ। এনে সমৃদ্ধিসালিনী লখিমীক নেওচি দুৰ্দ্দমনীয় ৰজা আখ্যাধাৰী নৰ পিশাচে নাৰকী দৃশ্যৰ অভিনয় কৰিবলৈ সাজু হল। তেওঁ চাওদাঙক হুকুম দিলে। চাওদাঙে বৰ-দুৱাৰ মুখতে ৰমাইক শূলত দিবলৈ নিলে। ধাননিৰ মাজত ৰজাৰ কাৰেঙৰ বৰ দুৱাৰৰ পোনে পোনে ৰমাইক চাওদাঙে ধৰি শূলত সংযুক্ত কৰিলে। এজনী কাউৰী গৈ ৰমাইৰ চকু এটা ঘুকি পেলালে। কাউৰী উৰি গৈ ৰতনীৰ ঘৰৰ চোতালত পৰিল। ৰতনীয়ে কাউৰীক এই বুলি প্ৰশ্ন কৰিলে :-

( বিননি সুৰ )

কাউৰী কাউৰী, অজাতি কাউৰী,<br>কিনো খাই বোলালি ঠোঁট।

কাউৰীয়ে উত্তৰ দিলে :—

বৰ-দুৱাৰ মুখতে ৰমাইক শূলত দিছে,<br>তাকে খাই বোলালোঁ ঠোঁট।

# ৰমাই-ৰতনী।

( এটি পুৰণি গল্প )

অধ্যাপক—বেণুধৰ ৰাজখোৱা।

আগৰ কালৰ কথা। তেওঁ চফল ডেকা। নাম ৰমাই। দেখিবলৈ সুগঢ়ী, সুঠাম। ৰতনী তেওঁৰে ভাৰ্য্যা—নতুনকৈ বিয়া কৰি আনিছে। দিপলিপ্ ছোৱালীটী—কোনো অঙ্গত খতি খুন নাই। অপেচৰী সদৃশ—চালে চকু ৰয়। ৰমাই ৰতনীৰ অভিন্ন হৃদয়। দুয়োৰো পৰস্পৰ প্ৰীতি স্বৰ্গীয়। এজনে আন জনক খন্তেক নেদেখিলেই জীৱন্তে মৰা। ৰমাই সাধাৰণ প্ৰজা - এনে মানুহৰ ঘৰত অপেচৰীৰ স্থিতি কেনেকৈ সম্ভৱপৰ হব পাৰে! দেশৰ ৰজা আছিল স্বেচ্ছাচাৰী, স্বভাৱ উচ্ছৃঙ্খল। এনে অৱস্থাত ৰজাক ভালৰি বোলাবলৈ যোৱা মানুহৰ আটক নাছিল। এজন দুৰন্ত মানুহে ৰমাই-ৰতনীৰ কথা ৰজাক জনালেগৈ। শুনামাত্ৰকতে ৰজাই ৰতনীক হাত কৰিবলৈ সঙ্কল্প কৰিলে। তেওঁ কটকী পঠাই ৰমাইক মতাই অনালে। ৰমাইৰ গা বাজিল। ৰতনীৰ সোঁ-চকু নাচিবলৈ ধৰিলে। ৰমায়ে ৰতনীৰ ওচৰত বিদায় লৈ কাৰেঙলৈ যাত্ৰা কৰিলে। তেওঁ ৰজাৰ আগত গৈ আঁঠু ললে। ৰজাই ৰতনীক পাবৰ নিমিত্তে অভিলাষ কৰিলে, আৰু বিনিময়ত ৰমাইক বিস্তৰ ধন সোন যাচিলে। ৰমাই কোনোমতে সৈমান নহল। ৰমাইৰ গম্ভীৰ দৃঢ়প্ৰতিজ্ঞা দেখি ৰজা স্তম্ভিত হল। তেওঁ বুজিলে যে ৰমায়ে ঘৰলৈ গলে ৰতনীক পলুৱাব—এতেকে বাজে বাজে ৰমাইক বধ কৰিবৰ নিমিত্তে আলচিলে।

তেতিয়া আহিন মাহ—বতৰ খৰালি। ধান লহ্‌পহ্‌কৈ বাঢ়ি গোটেই পথাৰ ৰমক-জমক কৰিছে। লখিমীৰ বিভূতি পয়োভৰ। এনে সমৃদ্ধিসালিনী লখিমীক নেওচি দুৰ্দ্দমনীয় ৰজা আখ্যাধাৰী নৰ পিশাচে নাৰকী দৃশ্যৰ অভিনয় কৰিবলৈ সাজু হল। তেওঁ চাওদাঙক হুকুম দিলে। চাওদাঙে বৰ-দুৱাৰ মুখতে ৰমাইক শূলত দিবলৈ নিলে। ধাননিৰ মাজত ৰজাৰ কাৰেঙৰ বৰ দুৱাৰৰ পোনে পোনে ৰমাইক চাওদাঙে ধৰি শূলত সংযুক্ত কৰিলে। এজনী কাউৰী গৈ ৰমাইৰ চকু এটা ঘুকি পেলালে। কাউৰী উৰি গৈ ৰতনীৰ ঘৰৰ চোতালত পৰিল। ৰতনীয়ে কাউৰীক এই বুলি প্ৰশ্ন কৰিলে:-

( বিননি সুৰ )

কাউৰী কাউৰী, অজাতি কাউৰী,<br>
কিনো খাই বোলালি ঠোঁট।

কাউৰীয়ে উত্তৰ দিলে:—

বৰ-দুৱাৰ মুখতে ৰমাইক শূলত দিছে,<br>
তাকে খাই বোলালোঁ ঠোঁট।

ৰমাই অহাত বেলি হোৱা দেখি ৰতনীৰ আগতে মনটো চেবালে। এতিয়া কাউৰীৰ মুখে বৃত্তান্ত শুনি সবিশেষ জানিব পাৰিলে। কিন্তু তেওঁ ধৈৰ্য্য নেহেৰুৱালে। তেওঁ এখন ডাবকটাৰী কাপোৰৰ ভিতৰত লুকুৱাই ললে আৰু তিত কালতে কোনেও টৰকিব নোৱৰাকৈ বধ্যভূমিলৈ বেগাবেগিকৈ খোজ ললে। নিলগৰ পৰা শূলৰ ওপৰত ৰমাইক দেখা পাই ধাননিৰ মাজে মাজে যাবলৈ ধৰিলে। ৰমায়ে দেখি নিলগৰ পৰা গালে :- (বিননি সুৰ)

ধাননি ধাননি নাহিবি ৰতনী,
ধান-পাতে কাটিব গা।
মোৰে কপালে যিহৈছে হৈছে,
ঘৰলৈ উলতি যা ॥

ৰতনীয়ে উত্তৰ দিলে : -(বিননি সুৰ)

ধাননি ধাননি যামে মই ৰতনী,
ধান-পাতে কাটকে গা।
তোমাৰে কপালে যি হৈছে হৈছে—
গলতে মাৰিমে ঘা ॥

শূলত দিয়া দৃশ্য চাবলৈ মানুহে স্বভাৱতে ভাল নেপায়। চাওদাং আৰু আন আন মানুহ বিলাক কিছু নিলগত আঁতৰি আছিল। আৰু মৰনৰ কালত ঘৈণীয়েকে গিৰিয়েকক শেষ দেখা কৰিবলৈ আহিছে বুলি কোনোৱে সেই বিষয়ে বিশেষ মনকাণ নিদিলে। ৰতনীয়ে ওচৰ পাই ৰমাইক এটি সেৱা জনালে। অকস্মাৎ ৰতনীয়ে কাপোৰৰ তলৰ পৰা কটাৰীখন উলিয়াই নিজৰ টেটুত ৰেপ দিলে আৰু ততালিকে মাটিত ঢাল খাই পৰিল। তেতিয়াহে মানুহ বিলাকে কি ঘটনা ঘটিল বুজিব পাৰিলে আৰু ওচৰ চাপি দেখিলে যে ৰমাইৰ প্ৰাণ বায়ু বহিৰ্গত হল আৰু ৰতনী আত্মঘাতী হৈ মৰিল। চাওদাঙে ঢাপলি মেলি ৰজাক জনালেগৈ। ৰজাই কলে - "ইহঁতৰ দুয়োৰো ইমান মিলাপ্ৰীতি আছিল— এতেকে ইহঁতক একেলগে চিতাত দাহ নকৰিবি। দুয়োকো নৈৰ দুপাৰে খৰি দিবি।" ৰজাৰ বিষয়াই সেইমতে কাৰ্য্য কৰিলে। কিন্তু চিতাৰ ধোৱাৰ প্ৰবাহ ওপৰলৈ উঠি একেটা প্ৰবাহত পৰিণত হৈ আকাশমাৰ্গী হল। পাচত দেখা গল যেনি যেনি ধোৱা উঠিছিল, তাতে এজোপা প্ৰকাণ্ড বটগছৰ সৃষ্টি হল। বটৰ গুৰি দুটা নৈৰ দুপাৰে থাকিল। ওপৰ ভাগ একেটা হল। প্ৰকৃত প্ৰেমৰ অমৰণ অভগন সংযোগ জগতত বিঘোষিত হল।

টোকা :— এই গল্পটো মই লৰাকালতে আইৰ মুখে শুনিছিলো। তেখেতে ঘটনাটো সঁচা বুলি কৈছিল। মূলত প্ৰকৃত ঘটনা বোধকৰো এইয়ে আছিল— স্বেচ্ছাচাৰী ৰজাই ঘৈণীয়েকক বলেৰে হৰণ কৰিব নোৱাৰি গিৰিয়েকক শূলত দিলে; কিন্তু ঘৈণীয়েকে সেই সময়তে আত্মঘাতী হল। ৰজাৰ দুৰভিসন্ধি নিস্ফল হল। সি যিকি নহওঁক এই গল্পটো Greek Mythology ৰ গল্পৰ শাৰীত পেলাই পঢ়িলেও পাঠক পাঠিকা সকলে তৃপ্তি পাব।

# ভাৰতৰ নাৰী শিক্ষা

শ্ৰীঅৰুণা বৰুৱা
প্ৰথম বাৰ্ষিক ( কলা )

*শিক্ষাৰ উদ্দেশ্য হৈছে সকলো অঙ্গৰ* উৎকৰ্ষ সাধন কৰা।

"নহি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে" ইত্যাদি গীতাই কৈছে। কিন্তু মানবৰ জ্ঞান কি বস্তুৰ পৰা উদ্ভৱ হয় তাক জনাৰ আৱশ্যক। আজি জগতৰ যিবিলাক মহান মহান পুৰুষ কিম্বা মহিলাই জগতত নাম চিৰস্মৰণীয় কৰি গৈছে কিম্বা বৰ্ত্তমানেও যিবিলাক জগতৰ পূজ্য হৈছে তেওঁবিলাকৰ জীৱন চৰিত বিশ্লেষণ কৰিলে দেখা যায় যে, তেওঁলোকৰ উন্নতিৰ গুৰি হৈছে—একমাত্ৰ শিক্ষা। বেছিভাগ মহাপুৰুষৰ জীৱন চৰিতত পোৱা যায় যে তেওঁলোকৰ উন্নতি পথত পোহৰ দেখুৱাই দিয়ে—একমাত্ৰ মাতৃজাতিৰ পৰাই।

জগতখনেই হৈছে প্ৰত্যেক লোকৰ শিক্ষাৰ থলী। শিক্ষা, স্ত্ৰী পুৰুষ সকলোৰেই উন্নতি পথৰ সোপান। সংসাৰত সাধাৰণতে মহিলাৰ সংখ্যাই বেছি আৰু তেওঁলোকৰ উন্নতি অৱনতি ওপৰতেই আমাৰ সমাজৰ উন্নতি অৱনতি বহু পৰিমানে নিৰ্ভৰ কৰিছে। পাশ্চাত্য দেশবিলাকৰ তুলনাত ভাৰতেই নাৰীৰ শিক্ষাত পাছ পৰি আছে। অৱশ্যে আধুনিক নাৰী জাগৰণৰ ঢৌৱে ভাৰতকো স্পৰ্শ কৰিছেহি। শিক্ষাৰ কোনো ধৰাবন্ধা নিয়ম নাই। পুৰুষ কিম্বা মহিলা সকলোৰে বাবে জ্ঞানৱেদীৰ দুৱাৰ খোলা থাকে। ইংৰাজ কৱি Tennyson এ কৈছে:—

"The woman's cause is mans,
they rise or sink
Together, dwarfed or godlike.
bond or free."

মানৱ সমাজ যিমানেই সভ্যতালৈ আহিছে সিমানেই এই কথাৰ সত্য উপলব্ধি কৰিব পাৰিছে। সমাজে বুজিব পাৰিছে বৰ্ত্তমান তিৰোতাজাতি অন্ধকূপত পৰি থকা নাই। ভালকৈ আলোচনা কৰিলে দেখা যায় যে শিক্ষাৰ বিষয়ত ভাৰতৰ অতীত আৰু বৰ্ত্তমানৰ তিৰোতাৰ যথেষ্ট পাথক্য। বৈদিক যুগত তিৰোতাক পত্নী বুলিছিল কিয়নো তেওঁলোক আছিল পুৰুষৰ ধৰ্ম্মকাৰ্য্য, ঘৰুৱা সকলো যাৱতীয় কাৰ্য্যৰ সোঁ-হাত। পুৰুষে যিদৰে শিক্ষা পাইছিল তিৰোতায়ো সেই শিক্ষাৰ অংশ গ্ৰহণ কৰিছিল। সেই যুগত তিৰোতাক উচ্চস্থান দিয়া হৈছিল। পৌৰাণিক যুগতো ভাৰতৰ নাৰীজাতি সকলোবিলাক শিক্ষাৰে সমাবেত আছিল। সঙ্গীতত মীৰাবাই, শাস্ত্ৰালোচনাত গাৰ্গী, অঙ্ক শাস্ত্ৰত মৈত্ৰেয়ী, গণনাত অৰুন্ধতী আদি গুণগ্ৰাহী মহিলা সকল। কিন্তু দুভাগ্যবশতঃ ভাৰতৰ এনে শিক্ষাই ক্ৰমান্নয়ে নামি আহিব ধৰিলে।

ইয়াৰ পাছৰ যুগত অৰ্থাৎ মুছলমানৰ ৰাজত্বত নাৰীৰ শিক্ষা একেবাৰেই তলত পৰি থাকিল যে শতকৰা ১ জনহে ভাৰতত শিক্ষিতা নাৰী পোৱা গল। ইংৰাজৰ শিক্ষা প্ৰচাৰৰ আগেয়ে ভাৰতীয় তিৰোতাৰ শিক্ষাৰ স্থান শোচনীয় আছিল। এই সময়তে খৃষ্টান মিছনেৰী, ৰাজা ৰামমোহন ৰায়, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, এম্. জি. ৰানাডে আদি সকলে যিমানেই নিৰ-ক্ষৰতাৰ ওৰনিখন ডাঙিবলৈ ধৰিলে সিমানেই নাৰীয়ে আৰু বেছিকৈ টানিবলৈহে ধৰিলে। যদিও খৃষ্টান মিছনেৰী বিলাকৰ পাছত শিক্ষাত ভাৰতীয় নাৰী পাছ পৰি গল তথাপি প্ৰায় ৫০ বছৰৰ ভিতৰত সামাজিকে শিক্ষাত ভাৰতীয় নাৰীসকলে এক নবযুগৰ সূচনা কৰিলে। কিন্তু বৰ্ত্তমান সামাজিকে জীৱনৰক্ষাৰ বাবে শিক্ষা নহলে সংসাৰত নানা অসুবিধা আৰু ক্ষতি হোৱাৰ সম্ভাৱনা। স্ত্ৰীজাতিৰ উচ্চশিক্ষাৰ বিৰুদ্ধে কোনেও বিৰোধভাব পোষণ কৰিব নোৱাৰে। বৰ্ত্তমান যুগৰ ছাত্ৰীবিলাক যে শিক্ষিতা হোৱা উচিত, — এই কথা শিক্ষিত অভিভাৱক সকলৰ অন্তৰত টানকৈ আঘাত কৰিলে। সেই বাবে শিক্ষাত নাৰীজাতি কিছুদূৰ অগ্ৰসৰ হল। শিক্ষাৰ জিলিঙনি পাই তেওঁলোকে বুজিব পাৰিছে যে এটি জীৱন্ত জাতি গঢ়িবলৈ হলে বিপৰীত দলৰ লগত কেনেভাৱে প্ৰতিদন্দিতা কৰিব লাগিব।

বৰ্ত্তমান সময় হৈছে সংগঠনৰ সময়। এই সংগঠনৰ দিনত কেৱল উচ্চশিক্ষা লাভ কৰিলেই নহব। লগে লগে সামাজিক, ৰাজনৈতিক, শাসননীতি, দৰ্শন, বিজ্ঞান, কুটীৰ শিল্প আদি সকলোতে যদি উন্নতি কৰিব পৰা যায় তেন্তে পৃথিবীৰ আন মহাদেশৰ স্ত্ৰীৰ লগত ভাৰতীয় নাৰীয়েও খোজত খোজ মিলাই যাব পাৰিব। আধুনিক যুগত ভাৰ-তীয় নাৰীয়ে এই জ্ঞানৰ আৱশ্যকতা সম্যক ভাৱে উপলব্ধি কৰিব পাৰিছে। সকলো বিভাগতে যে কৃতকাৰ্য্যতা লভিছে—এই কথা নিঃসন্দেহে কব পাৰি। এনে উপযুক্ত গুণৰ প্ৰভাৱত যি নাৰীজাতিয়ে বহু বছৰ ধৰি পৰ্দ্দাৰ আৰত আছিল তেনে জাতিয়ে আজি পৃথিবীক চমক খুৱাইছে।

উপযুক্ত আসনেৰে তিৰুতাজাতি সন্মানিত হলেও এটা কথা নকৈ নোৱাৰি। সি হৈছে কৰ্ম্মবিভাগ। যদিও কোনো কোনো ক্ষেত্ৰত ভাৰতীয় নাৰীয়ে পুৰুষৰ শাৰী পূৰাব পাৰিছে-সি অতি বিৰল। যত্নৰ অসাধ্য একো নাই। তথাপি স্ৰজন কৰ্ত্তাই স্ৰজনৰ সময়ত পুৰুষ আৰু তিৰুতাৰ কৰ্ম্ম ভাগ কৰি পঠিয়াইছে। পৃঠিবীৰ আদি মানব এদামে যেতিয়া হাল বাইছিল ইভে তেতিয়া সূতাহে কাটিছিল। সেইবাবে বিপৰীত দলৰ লগত প্ৰতিদ্বন্দিতা চলালে প্ৰকৃতিৰ বিৰুদ্ধে হে যোৱা হব। পৃথিবীত এনে কিছুমান কাম আছে যিবিলাক কেৱল তিৰুতাইহে কৰিব পাৰে পুৰুষে নোৱাৰে আকৌ এনে কিছুমান কাম আছে যিবিলাক কেৱল পুৰুষে হে পাৰে; তাত তিৰুতাৰ হাত নাই, ইয়াৰ পৰা বুজা যায় যে, নাৰীয়ে যি শিক্ষা পাই পুৰুষৰ তাত হাত নাই আৰু পুৰুষৰ শিক্ষাত নাৰীৰ হাত নাই। কিন্তু

আধুনিক যুগত দুয়োৰে মাজত প্ৰতিযোগিতা সমানেই চলিছে। কিয়নো প্ৰতিযোগিতাই কামৰ মৰ্য্যদা দুগুণে বঢ়ায়।

কংগ্ৰেছে ভাৰতীয় নাৰী সকলৰ মনৰ পৰা অস্পৃশ্যতা, নিৰক্ষৰতা আদি সঙ্কীৰ্ণ ভাব কিছু-দূৰ আতৰাইছে। কংগ্ৰেছে লেজিচ্ লেচাৰত তিৰুতাক উৎসাহিত কৰিলে, আনকি নাৰীক মন্ত্ৰীত্ব ভাগতো সহায় কৰিলে। শ্ৰীযুতা বিজয়লক্ষ্মী এই বিষয়ত প্ৰথম। বৰ্ত্তমাণ ভাৰতীয় যুক্তৰাষ্ট্ৰত শ্ৰীযুতা বিজয়লক্ষ্মী, সৰোজিনী নাইডু, অমৃত কাওৰ আদি সকলে উপযুক্ত আসন লভিছে। আৰু কিছুদিনৰ পাছত আন বিভাগতো যে কত নাৰীয়ে ঠাই পূৰ্ণ কৰিবহি তাত সন্দেহ নাই। কংগ্ৰেছৰ বাহিৰেও নিখিল ভাৰত মহিলা সমিতিয়েও ভাৰতীয় নাৰীজাতিৰ উপকাৰ সাধন কৰিছে। বিশেষকৈ নাৰীজাতিৰ শিক্ষাপ্ৰচাৰ, মজুৰৰ কষ্ট নিবাৰণ হিন্দু সমাজৰ মহিলাৰ কঠোৰ বান্ধ মুক্তি কৰা বাল্যবিবাহ আদি নিবাৰণেই প্ৰধাণ।

আজি-কালি বিশ্ব-বিদ্যালয় বিলাকত যি শিক্ষা দিয়া হৈছে সেই শিক্ষা কাৰ্য্যকৰী ( Practical ) শিক্ষাতকৈ মুখস্থ কৰা ( theoritical ) শিক্ষাৰ হে বেছি প্ৰাচুৰ্য্য। এনে শিক্ষাই ছাত্ৰীক ভবিষ্যত জীৱনত বিশেষ সহায় নকৰে। কিয়নো ভাৰতীয় বেছিভাগ নাৰীয়ে ডিগ্ৰীধাৰী হৈয়ো ঘৰতে বহি থাকে। অৱশ্যে ২ ১ জনেহে জীৱিকা আৰ্জ্জনৰ বাট মুকলি কৰি লয়। এনে বিলাক কাৰণবশতঃ নাৰীৰ উপযোগী দিল্লীত Lady Jrwin College স্থাপন হৈছে। এই কলেজ ভাৰতীয় স্ত্ৰীশিক্ষাৰ এটি মহান আদৰ্শ। নাৰী-জাতিৰ উপকাৰাৰ্থে ইয়াত সকলোৰকমৰ শিক্ষা দিয়া হয়—যাতে বৰ্ত্তমাণ আৰু ভবিষ্যতত হাত সাৱটি পৰমুখাপেখী হৈ বহি থাকিবৰ আৱশ্যক নকৰে। বৰ্ত্তমাণে ভাৰতে নাৰী-জাতিক যেনে ভাবে শিক্ষা দিয়া উচিত বুলি ভাবে—সেই সকলোবিলাক ইয়াতেই সমাবেত, এই কলেজৰ শিক্ষাই ধনী দুখীয়া সকলো ছাত্ৰীৰে ভবিষ্যত জীৱনত বিশেষ সহায় কৰিব। নাৰীৰ যুগত নাৰীয়ে যি শিক্ষা পাই সেই শিক্ষাই ভবিষ্যতে গৃহিনী হিচাবে কিম্বা গাওঁ বিলাকত নিৰক্ষৰতা দূৰ কৰিবলৈ সক্ষম হব বুলি মনত নহয়। বৰ্ত্তমান ভাৰতীয় নাৰীক যিভাৱে শিক্ষা দিয়া হয় সি গঠন মূলক হব লাগিব। বম্বে, মাদ্ৰাজ আদিৰ বহুতো নাৰী ডাক্তৰ, ইঞ্জিনিয়াৰিং আদি হোৱা দেখা যায়। কিন্তু আমি মনত ৰাখিব লাগিব যে ভাৰতে এতিয়াও পূৰ্ণ স্বাধীনতা লাভ কৰা নাই—এতিয়াও ভাৰত; আমেৰিকা, জাপান কিম্বা ৰাছিয়াৰ দৰে ধনী হবলৈ বাকী, সেই-ৰাবে প্ৰত্যেক নাৰীয়ে ঘৰুৱা কামৰ প্ৰতিও-লক্ষ্য ৰখা উচিত। নহলে ঘৰত বিশৃঙ্খলাই দেখা দিব।

আধুনিক যুগত ভাৰতীয় নাৰীজাতিৰ শিক্ষাৰ আদৰ্শ কেনে হোৱা উচিত ;- ই ভাৰতীয় শিক্ষাবিদসকলৰ ওপৰত এটি ডাঙৰ সমস্যা ৰূপে দেখা দিছেহি। নাৰীৰ শিক্ষাৰ বিষয়ে নানা মুনিৰ নানা মত, কোনোৰ মতে আধুনিক যুগৰ স্ত্ৰীশিক্ষাই শত শত ভাৰতীয়

নাৰীৰ চৰিত্ৰত কলঙ্ক সানিছে সেইবাবে পৌৰাণিক ৰীতি অনুযায়ীহে তেওঁলোকে শিক্ষা পোৱা উচিত। তেওঁলোকৰ মতে নাৰীৰ শিক্ষা সীতা, সাবিত্ৰী, দময়ন্তীৰ আদিৰ দৰেহে হোৱা উচিত। কিন্তু তেওঁ-লোকে ভাবি চোৱা উচিত যে আধুনিক ভাৰতত যেতিয়া ৰাম নোলায় তেন্তে সীতাক বিচাৰি পোৱাটো বিড়ম্বনা মাথোন। তথাপি সময়ৰ সোঁতত যতদূৰ সম্ভৱ মহাসতী সকলৰ মহান আদৰ্শ আগত লৈ কাৰ্য্য কৰি যোৱাই আমাৰ কৰ্ত্তব্য। আধুনিক যুগত গান্ধীজি আৰু তেখেতৰ সহধৰ্ম্মীণীয়ে প্ৰবৰ্ত্তোৱা বুনিয়াদী শিক্ষাৰ ( Besic education ) ফলত হেজাৰ হেজাৰ ভাৰতীয় নৱ-নাৰীৰ জীৱনত সহায় কৰিছে। এনেশিক্ষাই ভাৰতীয় নৱ-নাৰীৰ কামত মৰ্য্যদা দুগুণে বঢ়াইছে। এই শিক্ষাৰ পৰা উৰ্ত্তীণ হৈ অহা গ্ৰাম সেৱিকা বিলাকৰ যোগেদিয়েই ভাৰতক হেজাৰ হেজাৰ গাৱঁৰ নাৰীসকলক শুশ্ৰূষা কৰা হৈছে। অসমেও এনে শিক্ষাৰ অংশ গ্ৰহণ কৰিছে। শ্ৰীযুক্তা অমল প্ৰভা দাসৰ 'শৰণীয়া আশ্ৰমও' মহাত্মাৰ মহান আদৰ্শত গঢ়ি উঠিছে। সেইবাবে এনে শিক্ষাই ভাৰতীয় নাৰীজাতিৰ জীৱনত তথা ভাৰতীয় এটা জাতি হিচাবে গঢ়ি তোলাত সহায় কৰিব। এনেদৰে স্ত্ৰী শিক্ষা বহুল ভাবে বিস্তৃত হলেহে জ্ঞানলাভ, ৰাজনীতি, অৰ্থনীতি প্ৰভৃতি সকলো বিষয়তেই শিক্ষাৰ উন্নতি হব। ভাৰতীয় নাৰীজাতিয়ে কেৱল গৃহস্থালী বিষয়তে শিক্ষাৰ শেষ বুলি নাভাবি শিল্প, দৰ্শন, বিজ্ঞান, বাণিজ্য আদি সকলো বিষয়তে পুৰুষৰ সমকক্ষ হৈ কাম কৰিলে ভাৰতীয় নাৰীয়েও জাপান বা ৰাছিয়াৰ নাৰীৰ শাৰীত ঠায় পূৰাব পাৰিব— ই নিশ্চিত।

---

## ‡ বৰাগী-গীত।

শ্ৰীযতীন হাজৰিকা,
ডিব্ৰুগড় কলেজ ১ম বাৰ্শিক (কমাৰ্চ)

বীনা-পাণি আয়ে চালে চকুমেলি
দুখীয়া সন্তানৰ প্ৰতি— মোৰ গুৰু ঐ
চৌধুৰী দেৱে তাকে গমে পাই
বিনয়ে কৰিলে তুতি মোৰ গুৰু_ঐ
বিনা পয়চাৰে কলেজখন পাতিলে
দুখে কষ্টৰে ভোগি— মোৰ গুৰু ঐ
শত বিপদকো কাটি কৰি থই
দেখালে আদৰ্শ ডাঙি— মোৰ গুৰু ঐ
অধক্ষ্য হিচাবে বসু গুৰু আহিলে
ৰাইজৰ হকে ঐ লাগি— মোৰ গুৰু ঐ
বিনা বেতনেৰে শিক্ষা দান কৰিলে
ধৰ্ম্মতত্ব জ্ঞান লভি— মোৰ গুৰু ঐ
দেহে কেহে খাটি দত্ত গুৰু দেৱে
আজীৱন কৰিলে পণ— মোৰ গুৰু ঐ
শিষ্য বিচাৰি ফুৰিব ধৰিলে
ত্যাগি দুদিনীয়া ধন— মোৰ গুৰু ঐ

---

‡ ৩০।৪।৪৮ তাৰিখে হোৱা ডিব্ৰুগড় কলেজৰ সঙ্গীত সন্মিলনত গোৱা হৈছিল।
গায়ক— শ্ৰীখগেন হাজৰিকা।

আহিল দে গুৰু আনন্দ মনেৰে
উন্নতি কামনা কৰি—মোৰ গুৰু ঐ
হিয়া উবুৰিয়াই দিবলৈ ধৰিলে
শিক্ষাৰ লেকাম ধৰি—মোৰ গুৰু ঐ
সুশীল, সুৰেন, পাত্র ৰাজখোৱা দত্ত,
দেৱ পূজ্য সকলে আহি—মোৰ গুৰু ঐ
কৰিলে আৰম্ভ শিক্ষাৰ মহলা
জৰ্জ্জ শিক্ষালয়ত বহি—মোৰ গুৰু ঐ
লক্ষ্মী স্বৰূপিণী সৰলা আইদেৱে
প্ৰথমে ভৰ্ত্তি হই—মোৰ গুৰু ঐ
গোটাব ধৰিলে শিষ্যৰ সংখ্যা
নিজে টানি-টুনি লৈ—মোৰ গুৰু ঐ
* দ্বিতীয় বাৰ্শিকৰ মান্যবন্ত সকলে
অক্লান্ত কৰ্ম্ম কৰি—মোৰ গুৰু ঐ
নিজৰ জীৱনৰ বছেৰেক ত্যজিও
ৰাখিলে নিৰলে ধৰি—মোৰ গুৰু ঐ
আছে চক্ৰৱৰ্ত্তী বসু, ভট্টাচাৰ্জ্জী
গোস্বামী, আচাৰ্য্যদেৱ—মোৰ গুৰু ঐ
আছে গুপ্তাবাই বৰুৱা, আহ্মদ
শিক্ষাদান একোটি দিব মোৰ গুৰু ঐ
শৰ্ম্মা, বৰা কাই সম্পাদক আছিলে
উন্নতি কামনা কৰি—মোৰ গুৰু ঐ
তেওঁলোক গুচিগল কাৰ্য্য ভাৰ পৰি ৰল
ললে দে, বৰুৱাই ধৰি—মোৰ গুৰু ঐ
কাপে কলম ধৰি ইৰা আইদেও ওলালে
ভাষাৰে উন্নতি সাধি—মোৰ গুৰু ঐ
দহে কেহে খাটি চৌধুৰী দেৱে
ঘৰটি আনিলে খুজি—মোৰ গুৰু ঐ
সঙ্গীত সম্পাদক বৰুৱা ককায়ে
পঞ্চমত সুৰটি তানি—মোৰ গুৰু ঐ
জ্ঞান দীপ গচি জ্বলালে ধীৰেৰে
অজ্ঞান আন্ধাৰ জিনি—মোৰ গুৰু ঐ
পুৰণি সম্পাদক সবে মিলি জুলি
নতুনক দিলেহি জাপি—মোৰ গুৰু ঐ
ললে গাতে পাতি নিজৰ ভাৰ খনি
সিদ্ধ মনেৰে সাপি—মোৰ গুৰু ঐ
আহ্মদে সাধাৰণ বৰুৱাই দু-ভাষাৰ
একোটি সম্পাদক হই মোৰ গুৰু ঐ
কলেজৰ উন্নতি হকে ঐ খাটিছে
নিস্বাৰ্থ প্ৰেমিক হই—মোৰ গুৰু ঐ
সঙ্গঠন সম্পাদক হাজৰিকা দেৱে
দেহে কেহে লাগিছে ঐ মোৰ গুৰু ঐ
বৰুৱা দেৱেও খেলৰ গুৰিধৰি
খেলাধূলা পাতিছে গৈ মোৰ গুৰু ঐ
ঘোষ, আলি, ভট্ট পাইট, মোহন্ত
একো বিভাগত থাকি—মোৰ গুৰু ঐ
কৰিব ধৰিছে নিজৰ কৰ্ত্তব্য
যিমান পাইছে ঢুকি—মোৰ গুৰু ঐ
আইদেও দাস, সেন থাপা, হাজৰিকাই
টাকুৰি ঘূৰাদি ঘূৰি—মোৰ গুৰু ঐ
নিজৰ দায়িত্ব নিজে বুজিলই
ইটো সিটো কৰিছে ফুৰি—মোৰ গুৰু ঐ
বৈৰাগী বেশেৰে বৈৰাগী যতীনে
ৰচিলে বৰাগী গীত—মোৰ গুৰু ঐ
গুৰু, ভকত ঐ যাবৰ সময় হল
ক্ষমিব সকলো ত্ৰুতি মোৰ গুৰু ঐ

* ১৯৪৮ চনত ইণ্টাৰ মিডিয়েট পৰীক্ষা দয়া ছাত্র সকল। তেওঁলোকে আৰম্ভনিৰ প্ৰথম দুবছৰ একে মহলাতেই কলেজৰ উন্নতি সাধন কৰি কটাইছিলে।

# দ্বিতীয় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলৰ বিদায় উপলক্ষে ডিব্ৰুগড় কলেজ ইউনিয়নৰ প্ৰীতি উপহাৰ।

প্ৰিয় বন্ধু সকল!

জগত পৰিবৰ্ত্তনশীল। এই পৰিবৰ্ত্তনশীল জগতৰ কালৰ চকৰিৰ খোজত খোজ মিলাই চলাতোৱেই বিশেষত্ব। বিৰহ মিলন বিচ্ছেদ প্ৰাণী জগতৰ অবিচ্ছেদ্য অঙ্গ। সিদিনাখন মাত্ৰ আপোনালোকে আমাক আপোনালোকৰ বুকুৰ মাজলৈ আদৰি লৈছিল কিন্তু কাৰ্য্যক্ষেত্ৰত পৰি আজি আমি আপোনালোকক আমাৰ বুকুৰ মাজৰ পৰা ফালি দিব লগাত পৰিছো। বন্ধু সকল! সহপাঠী বন্ধুৰ অন্তৰত থকা মৰম চেনেহৰ বিষয়ে আপোনালোকক বঢ়াই নকলেও হয়। এই স্নেহ প্ৰীতি আৰু আমাৰ মাজত থকা বিশ্বাসৰ বৰ্ণনা অতি অতুলনীয়। ইয়াক আত্মীয় স্বজনৰ চেনেহৰ লগত ৰিজাব নোৱাৰি। নকলেও হয় এই চেনেহ প্ৰীতি অমৰণ, আৰু অতি উপাদেয়।

বন্ধু সকল! আজি আমি কালৰ কুটিল গতিত পৰি বাধ্যহৈ আমাৰ সোঁহাত স্বৰূপ আপোনালোকক আমাৰ মাজৰপৰা বিদায় দিবলৈ ওলাইছো। আশা কৰোঁ আপোনালোকেই গঢ়িথৈ যোৱা এই "ডিবুৰু কলেজ" আৰু এৰি থৈ যোৱা এই নিঃকিন বন্ধুসকললৈ আহৰি পালে এবাৰ সুৱঁৰি চাব। এই "ডিবুৰু কলেজ" আপোনালোকৰ ওচৰত সদায় কৃতজ্ঞ যিহেতু আপোনলোকেই ইয়াৰ পথ প্ৰদৰ্শক। আপোনালোকৰ নিঃস্বাৰ্থ ত্যাগৰ ফলতেই আজিৰ "ডিবুৰু কলেজ" প্ৰতিস্থিত হৈ উঠিছে।

আজি আপোনালোকক এই বিদায় পৰত দিবলৈ আমাৰ একোৰে একোটি নাই—আছে মাথোন তুষাৰ কঠুৱা হিয়াৰ নিৰস বাণী। আশাকৰো ইয়াকেই বন্ধুত্বৰ চিন স্বৰূপে লৈ আমাৰ সকলো দোষ ত্ৰুতি ক্ষমা কৰে।

আপোনালোকৰ সুদীৰ্ঘ উজ্জল জীৱন পথত ঈশ্বৰ সহায় হওক।

বিনীত—

ডিব্ৰুগড় কলেজৰ ছাত্ৰ-ছাত্ৰী বৃন্দৰহৈ

৩০-৩-৪৮

## —পুথিৰ সমালোচনা—

**মহাসতী জয়মতী :—**

ৰায়চাহাব শ্ৰীযুক্ত বেণুধৰ ৰাজখোৱা দেবৰ দ্বাৰা ৰচিত। লিখকে সতী জয়মতীৰ জীৱন বৃত্তান্ত উপন্যাস আকাৰত লিখিছে। সতীৰ জীৱনীৰ ওপৰিও পুথি খনি এটি ঘৰুৱা অসমীয়া শব্দৰ ভৰাল বুলিব পাৰি। আমি সকলো প্ৰকাৰে পুথি খনিৰ বহুল প্ৰচাৰ কামনা কৰিলো।

সম্পাদক

কলেজ আলোচনী

২৯।৫।৪৮